Mr Speaker, Sir, it appears that the argument forwarded by the hon Minister for Parliamentary Affairs against the Motion is not a forceful one. He himself has said that the matter is a grave one And, also it is fiat case to be discussed in the House either this way or other way. Sir, since under rules, Adjournment Motions are to be sparingly used, and since, this matter is considered to be a grave one, which justify a discussion in this House, we submit that you should allow us to discuss this matter through this adjournment motion in the House today itself, and a time may be fixed after the lunch time so that we can find out certain solu-

tion without any delay. If it is left out first with the Chief Minister and then with the Minister for Parliamentary Affairs and then for the I G. P. and then with somebody else then there will be no end of it. The matter should be discussed after the lunch recess today and let the Chief Minister collect facts during the intervening period. I must also refer here, Sir, that it is very surprising to note that the Covernment has not got the full facts of such a grave a serious matter and we would want to discuss that point also.

Mr. Speaker :

I have heard both the sides and will give my ruling tomorrow.

Shri Promode Chandra Gogoi ঃ

অধ্যক্ষ ডাঙৰীয়া মই এটা অতিগুৰুত্ব পূৰ্ণ বিষয় সম্পৰ্কে চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। সেইটোলৈ যোৱা ২৫ তাৰিখে মই এখন টেলিগ্ৰাম অসমৰ মুখ্য মন্ত্ৰী বিত্ত মন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীলৈ পঠিয়াইছিলো।

## Re ঃ Removal and Dismantling of Rigs from Assam by the O N.G.C

"O.N.G.C workers association strongly protest against decision taken for removal and dismantling of some rigs from Assam project the association request immediate intervention for cancellation of the decision otherwise this decision will lead serious repurcussion and unrest amongst the workers and the people of the State"

অধ্যক্ষ মহোদয় মই নিশ্চিত খবৰ পোৱামতে অসমৰ ৰুদ্ৰসাগৰৰ আৰু লাকুৱাত ১৫ টা ৰিগ আছে এই ১৫ ৰিগৰ ভিতৰত ইয়াৰ পৰা ৫টা ৰিগ নিয়াৰ কাৰণে ইতিমধ্যে দেৰাডুণৰ administration ৰ পৰা নিৰ্দ্দেশ আহিছে। লাকুৱাত ৫টা ৰিগৰ কাম চলি আছে দেৰাডুণৰ নিৰ্দ্দেশ অনুযায়ী তাত ২টা ৰিগহে থাকিব। ৰুদ্ৰসাগৰত ৩টা drilling ৰিগত কাম চলি আছে তাত দুটাহে থাকিব। এইটো হৈছে দেৰাডুণৰ O.N.G.C. administration ৰ নিৰ্দ্দেশ।

লাকুৱাৰ পৰা ৩ টা, ৰুদ্রসাগৰৰ পৰা ২টা আৰু গেলেকীৰ পৰা ১টা মুঠ ১৫ ৰিগৰ ভিতৰত ৫টা ৰিগ এইমাহতে অসমৰ বাহিৰলৈ নিয়াৰ কাৰণে নির্দ্দেশ দিছে। ইতিমধ্যে ১টা ৰিগ নিলেই, ২টা ৰিগ ৰেলৱে station ত আছে আৰু দুটা ৰিগ workshop লৈ পঠিয়াইছে। গতিকে মই চৰকাৰৰ দৃষ্টি আকর্ষন কৰো যে আমাৰ প্রদেশত খাৰুৱা তেল যথেষ্ঠ থকা অৱস্থাত আমাৰ প্রদেশত খনন কার্য্য সম্প্রসাৰণ নকৰি তাক সঙ্কুচিত কৰাৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ আৰু O.N.G.C. বিভাগৰ যি সিদ্ধান্ত তাক পৰিস্কাৰ ভাবে জনাই দিব লাগে যে অসমত এতিয়া যি ৰিগ আছে এটাও ৰিগ অসমৰ project ৰ পৰা নিয়াৰ প্রশ্নই নাহে বৰং ইয়াৰ খনন কার্য্য সম্প্রসাৰণ কৰিব লাগিব। ইয়াৰ ফলত অসমত প্রতিক্রিয়া হৈছেই। এটা ৰিগত অতি কমেও ৩০০ জন মানুহে কাম কৰে। গতিকে ৫টা ৰিগত ১৫ শ মানুহ কামৰ পৰা অতিৰিক্ত হৈ যাব। ইতিমধ্যে তাত যিবিলাক এড্-হক কর্ম্মচাৰী আছে আজি ৩ দিনৰ আগতে নোটিক আহিছে যে তেওঁলোকৰ ২মাহ মাত্র চাকৰি থাকিব। এই ২ মাহৰ পিচত চাকৰি নেথাকে। গতিকে ৰিগবোৰ নিয়া মানে নিয়োগ সমস্যা আৰু অর্থনৈতিক সমস্যা উৎকৎ কৰা। সেই কাৰণে মই অসম চৰকাৰক অনুৰোধ কৰো যে এই বিষয়ত অসম চৰকাৰে এনেকুৱা ব্যৱস্থা লব লাগে যাতে কেন্দ্রীয় চৰকাৰে এটাও ৰিগ ইয়াৰ পৰা নিব নোৱাৰে৷ এই সম্পর্কে টেলিগ্রাম ২৫ তাৰিখেই পাইছে। এতিয়া চৰকাৰে কি ব্যৱস্থা লৈছে এই কথা চৰকাৰৰ পৰা জানিব পাৰো। অসম চৰকাৰে এই বিধান সভাৰ হৈ আৰু অসমৰ বাইজৰ হৈ কেন্দ্রীয় চৰকাৰক এই কথাটো পৰিস্কাৰ কৈ জনাই দিব লাগে যে অসমৰ পৰা এটা ৰিগও বাহিৰলৈ নিব নোৱাৰে।

**Shri Biswadev Sarma :**

মাননীয় সদস্য শ্রীগগৈ ডাঙৰীয়াই যি অভিযোগ তুলিছে এই সম্পর্কে আমি টেলিগ্রাম পাইছো। আমিও টেলিগ্রাম কৰি আৰু টেলিফোনতে তথ্যপাতি আনিবলৈ যত্ন কৰিছো। গতিকে এই সম্পর্কে অহা সোমবাৰেহে সকলো জনাব পাৰিম।

**Shri Promode Chandra Gogoi :**

টেলিগ্রাম আৰু টেলিফোনৰ উত্তৰলৈ বাটচাই থাকোতে ১ মাহৰ ভিতৰত এই ৫টা ৰিগ গুচি যাব। ২টা ৰিগ station ত আছে ৩টা ৰিগ workshop ত

আছে গতিকে ইয়াৰ এটা ব্যৱস্থা সোনকালে লব লাগে। কেন্দ্ৰীয় চৰকাৰক জনাব লাগে যে এটা ৰিগও যাতে অসমৰ পৰা যাব নোৱাৰে।

Shri Biswadev Sarma :

এমাহৰ কথা নহয়। অহা সোমবাৰেই খবৰ দিব পাৰিম।

Shri Dulal Chandra Barua :

এই খিনিতে মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব পাৰোনে যে উদ্যোগ মন্ত্ৰীয়ে ইফালে খবৰ কৰক আৰু তেখেতে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ৰিগ নিয়া বন্ধ কৰক।

Shri Phani Bora :

এই ৰিগ বোৰ Remove কৰা সম্পৰ্কে আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈয়ে মুখ্যমন্ত্ৰীক এই বিষয়ে কবলৈ অনুৰোধ কৰিছিল। আৰু এই ৰিগ বিলাক বন্ধ কৰাৰ সম্পৰ্কে কি কৰে মূখ্যমন্ত্ৰী মহোদয়ে আমাক কওক। যদি তাকে নকৰে আমি ৰাইজক ৰিগ নিয়া বন্ধ কৰিবলৈ কব লাগিব।

Shri Bimala Prasad Chaliha :

আমাৰ উদ্যোগ মন্ত্ৰীয়ে এই কথা Take up কৰিছে আৰু আজি ময়ো এই সম্পৰ্কে শ্ৰীত্ৰিগুনা সেনৰ লগত Take up কৰিম।

## Re: Misreporting the name of a person by the Hindusthan Standard

Shri Rathindra Nath Sen :

Sir, on the 28th last I took part in the Budget debate and in the interest of the State I had mentioned the name of someone who was not present in the House. The name was Mr. Abdul Hamid Choudhury, Ex. M.L.A. of the Congress Party, the Ex-District Congress Vice-President. Unfortunately that part of my speech has come out in almost all the newspapers and in the Hindusthan Standard they have

given almost a detailed report but in place of Mr. Abdul Hamid Choudhury the name of my beloved Maulana Abdul Jalil Choudhury, the sitting M.L.A. has been published. On seeing this I immediately rushed to the office of the Hindusthan Standard yesterday evening. I called Maulana Abdul Jalil Choudhury and had explained the position to him. I went to tha Hindusthan Standard offiice and the U.N.I. office and they have agreed to issue a contradiction of the statement of mine that I did not mention the name of Shri Abdul Jalil Choudhury whose name has been published in place of Shri Abdul Hamid Choudhury. And that was none of my fault. I, therefore, convey my regret to him. I hope none of the hon. Members, after going through the paper, will misunderstand me, because some of them might think that I have deliberately used the name of Shri Abdul Jalil Choudhury in place of Mr. Abdul Hamid Choudhury, ex Congress M.L.A. who is still in Pakistan now and whose conduct is suspicious.

## Calling Attention to a Matter of Urgent Public Importance - Army Officer and six Jawans killed in Mizo Rebels' Ambush

Shri Maneswar Boro:

Mr. Speaker, Sir, I beg to call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, to the news item published in the Assam Tribune dated 10th March, 1970, under the caption "Army Officer and six Jawans

killed in Mizo Rebels' ambush". এই ঘটনা কেনেকৈ ঘটিছে এই সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কওক।

Shri Bimala Prasad Chaliha ( Chief Minister ):

Sir. in course of operations in Mizo District most of the Mizo rebels fled away to East Pakistan. While the overall situation in the district was satisfactorily improving, intelligence reports indicated that in early 1970 these elements were making preparations to infiltrate into and step up their rebelliousactivities in the district. The Security Forces accordingly intensified border patrolling against such infiltration by Mizo rebels from East Pakistan to the Mizo District.

On the night of 17th February, 1970, an encounter took place between our border patrolling party and a gang of Mizo rebels, who were attempting to infiltrate into Mizo District at a place near the border in Marpara area. There was exchange of fire for some time after which the guns of the Mizo rebels were silenced, While the extent of casualties sustained by the Mizorebels is not precisely known the fact that they left behind one bren gun and 50 rifles at the place of occurrence tended to indicate that it may have been fairly heavy. One officer and 6 Jawans of our Patrol Party engaged in the encounter were killed and 7 others were injured.

The encounter appeared to have somewhat demoralised the Mizo rebels as since then no adventurist activities of these rebels have come to notice so far in the border areas.

## Motion for extension of time for submission of the report of the Privileges Committee relating to Complaint made by Shri Nameswar Pegu.

Shri Ataur Rahman :

I beg to move that this Assembly agrees to the extension of time for one week i.e. upto 7th May, 1970 for submission of the report of the Privileges Committee relating to the complaint made by Shri Nameswar Pegu, M.L.A. against the Sub divisional Police Officer, North Lakhimpur".

Mr. Speaker :

The motion is moved. Has the House agreed to the extension of time ? (Voices-yes.yes.). The time for submission of the report is extended.

## Re : Procedure of dealing with Adjournment motions.

* Shri Dulal Boruah :

অধ্যক্ষ মহোদয়, মই আপোনাৰ ওচৰত ক্ষমা বিচাৰি এটা কথা কব খুজিছো- যেতিয়া এটা Adjournment motion আনে তেতিয়া তাৰ লগে লগেই Allow কৰেনে নকৰে কব লাগে। কিন্তু দেখা গৈছে কেতিয়াবা Adjournment motion আনিলে আপুনি সেইটো Minister, Parliamentary Affarirs ওচৰত পেলাই দিয়ে। তেতিয়া তেখেতে এটা Statement দিয়ে তাৰ পাচত হে আপুনি Ruling দিয়ে। তেতিয়া সেই Motion টোৰ মূল্য নাইকীয়া হৈ যায়। The main purpose of bringing the Adjournment morton is lost.

আপুনি Adjournment motion আনিলে লগে লগেই Ruling দিলে সন্তুষ্ট হম।

* Shri Atul Chandra Goswami :

---

Speech not correct

এটা Adjounrment motion আনিলে তাৰ Admissibility ৰ সম্পৰ্কে কোৱা হয়! তথাপি কিয় নাকচ কৰা হয়। Parliamentary Affairs ৰ মন্ত্ৰীয়েও Admissibility ৰ সম্পৰ্কে কয়। তেতিয়া আমি Adjounment motion টো Withdraw কৰো সেইটো আমাৰ কথা।

* Shri Debeswar Sarmah :

মাননীয় সদস্য সকলে যিটো কথা কৈছে সেইটো থিক। কিন্তু ৰুলিং এটা দিবলৈ বহুত বিলাক কথা চিন্তা কৰিব লগীয়া হয়। আমাৰ এটা কথা আছে যে " পাহাৰৰ শিল বিলাক কোমল হোৱা হলে বান্দৰে খাই অন্ত কৰিলেহেঁতেন " গতিকে ৰাষ্টাত শিল নাথাকিলং হেঁতেন? অধ্যক্ষ মহোদয় আপোনাক যি সকলে সমালোচনা কৰে .........

* Shri Dulal Chandra Barua :

আমি আপোনাক সমালোচনা কৰা বুলিলে দুখ পাওঁ। আমি আপোনাক সমালোচনা কৰিবলৈ যোৱা নাই মাত্ৰ কবলৈ গৈছো যে ৰুলিং সোনকালে দিলে ভাল হয়।

Mr. Speaker :

Order. I tried to give my ruling the next day as it is difficult to give it on the spur of the moment unless I go through the proceedings. As regards adjournment motion, on that day, when it was moved, generally the reply was to be given by the minister-in-charge of Parliamentary Affairs. But he wanted time to give his reply on the admissibility of the motion. But in the meantime, he had to leave for Goalpara and he already intimated to me that he will give his reply tomorrow.

লক্ষীপুৰৰ ঘটনা সম্পৰ্কে তেখেতে এটা Statement দিব।

Shri Mahendra Mohan Choudhury (Minister Parliamentary affiairs).

*Speech not corrected

মাননীয় অধ্যক্ষ মহোদয় মই ইতি মধ্যে আগেয়ে জনাইছো যে কিছুমান তথ্য পোৱা নাছিলো আৰু সেইবিলাকো সংগ্ৰহ কৰিবলৈ বহুত সময় লাগিব ! মই যোৱা কালি গোৱালপাৰালৈ গৈছিলো আৰু এই বিষয়ে তাৰ পৰা তথ্য সংগ্ৰহ কৰি আনিছো আৰু সেই কাৰণে আমাৰ ফালৰ পৰা যি Statement দিব লগীয়া আছে সেইটো কালিলৈ অনায়েসে দিব পাৰিম।

তেখেতে কৈছে যে এই অনাস্থা প্ৰস্তাৱৰ ওপৰত অধ্যক্ষৰ যি সীদ্ধান্ত সেইটো তেখেতে বিচাৰিছে মই ভাবো ২ টা কথা Separate নকৰি একেলগেই কৰা ভাল। অনাস্থা প্ৰস্তাৱ আহিলে সদস্য সকলে অংশ গ্ৰহণ কৰে আৰু যি জন বিভাগীয় মন্ত্ৰী থাকে তেখেতে উত্তৰ দিয়ে আৰু এইটো বৰ Delicate বিষয় গতিকে এই বিষয়ে কথা বতৰা হওতে সংযত ভাবে হব লাগে।

সেইকাৰণে বিবৃতি আগতে দিব লাগে আৰু তাৰ পিচত আলোচনা হব লাগে আৰু এই বিষয়ে অধ্যক্ষ মহোদয় আপুনি যি সিদ্ধান্ত দিব খোজে দিব পাৰে। এই ঘটনাৰ মই প্ৰত্যক্ষ দৰ্শী, গতিকে মোৰ ফালৰ পৰা কিছু কথা আগতে কব খোজা নাই, আমাৰ ফালৰ পৰা যি জানো সেইটো কবলগীয়া আছে, সেই কাৰণে গোটেই কথাবিলাক জুকিয়াই সম্পূন কৰিবলৈ কিছু সময় লাগিব, সেই কাৰণেই কাইলৈ সময় লৈছো।

Mr. Speaker :

About the Adjournment motion, I will give my ruling after the statement given by the Minister in-charge of Parliamentary Affairs tomorrow.

Shri Lakshyadhar Choudhury :

Sir, we are not concerned about the statement of the Minister concerned. We are interested to know about the fate of our adjournment motion from your side. You may fix the time for tomorrow or day after tomorrow.

Mr. Speaker : I will give my ruling tomorrow.

## General Discussion of the Budget.

*Shri Dulal Chandra Barua ঃ

অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিব বিচাৰিছো, সেইটো হ'ল আমাৰ দাদাৰ প্ৰায়েই মূৰ-তুৰ ঘূৰাই থাকে, গতিকে তেওঁ বেচি সময় সদনত থাকিব নোৱাৰে, সেইকাৰণে সদনে যেন কোনো objcet নকৰি Matilal Kanu ৰ পিছতেই আমাৰ Shri Rahimuddin Ahmed ক কবলৈ দিয়ে।

Mr Speaker : আপোনাৰ সময় মাত্ৰ ১০ মিনিট।

*Jonab Rahimuddin Ahmed ঃ

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াৰ যিটো ১৯৭০-৭১ চনৰ বাজেট বক্তৃতা আনিলে তাত বহুতো বিজ্ঞ দূৰদৰ্শীলোক আৰু মাননীয় সদস্য বহুতে নানা ধৰণৰ যুক্তি প্ৰদৰ্শন কৰিছে। এই যুক্তিত তেওঁলোকৰ কিমান সত্যতা আছে চৰকাৰৰ ফালৰ পৰা এইটো চিন্তা কৰা হোৱা নাই। সময়ৰ শেষত বিত্তমন্ত্ৰী ডাঙৰীয়াই এই যুক্তি সমূহ তৰ্ক-বিতৰ্ক কৰি চালে প্ৰকৃত যুক্তিৰ ভিতৰত কাৰ কি সত্যতা আছে, তেখেতে এইটো ভালকৈ চিন্তা কৰা নাই।

Shri Soneswar Bora ঃ Quorum নাই।

(Voices আছে আছে )

*Jonal Rahimuddin Ahmed ঃ

অধ্যক্ষ মহোদয়, ১৯৭০-৭১ চনৰ বাজেট বক্তৃতাত যি বিলাক plan and estimate কৰিছিল সেই বিলাকত অনুন্নতি সদায় থাকিলেও এই চৰকাৰৰ টকা বিলাক পৰিকল্পিত ভাবে যদি খৰচ হয়, তেন্তে মই তেখেতক অভিনন্দন জনাওঁ। কিন্তু তেখেতে ক'ম বেছি বহুতো কথা উনুকিয়াইছে, এইটো বেছি হৈছে, এইটোত ক'ম হৈছে, এইদৰে নানা যুক্তি দেখুৱাইছে, তথাপিও এইটো দূৰদৰ্শী দৃষ্টিৰে বিচাৰ কৰিবলৈ সকলোৰে ধৈৰ্য্য আৰু চোকা দৃষ্টিৰ আৱশ্যক। কিন্তু আজি বিষয়া সকলে বা মন্ত্ৰীসকলে নিয়মিত ভাবে সু পৰিকল্পিত ভাবে ধন ব্যয় নকৰাৰ কাৰণেহে আমাৰ মনত আতঙ্কৰ সৃষ্টি কৰিছে। দূৰ্ভাগ্যবশত: মই ৰাজ্যপালৰ ভাষনত অংশ গ্ৰহন কৰিব নোৱাৰিলেও আজি তাৰ এটা অংশ সামান্যভাবে কম।

*Speech not corrected

বৰ্ত্তমান আমাৰ বিষয়া বা কৰ্ম্মচাৰী সকলে যিটো Report দিয়ে, সেই টোতহে আমাৰ মন্ত্ৰীসকলে বেছি গুৰুত্ব দিয়ে আৰু বেছি মূল্য দিয়ে। কিন্তু সেই Report টোত কেন্দ্ৰ কৰি চাৰিওফালে যিবিলাক দোষ ত্ৰুটি থাকে, সেই সমন্ধে চৰকাৰ আৰু মন্ত্ৰীসকলে অৱহেলা কৰি থাকে আৰু অন্যান্য দৰ্খাস্ত আদিৰ কথা লক্ষ্য নকৰে। সেই কাৰণে মই চৰকাৰক জনাওঁ যে সেইবিলাকৰ কিমান সত্যতা আৰু অসত্যতাৰ ওপৰত নিৰ্ভৰ কৰি আছিছে, সেইটো নিৰূপন কৰি চিন্তা কৰি চাব লাগে যে এই বিলাকৰ গুৰুত্ব কিমান। কিন্তু আমাৰ মন্ত্ৰীসকলে কেৱল সেই Report টোৰ ওপৰতেই ভিত্তি কৰি থাকে আৰু Report টোৰ কথা বিলাকহে স্বীকাৰ কৰি লয়।

তাৰ পাছত P.W.D. আৰু গড়কাপ্তানী বিভাগৰ বাজেটত এটা বিৰাট ঘাটি আছে। যদি এনে ধৰণে হয়, তেন্তে সুপৰিকল্পিত ভাবে ধন ব্যয় হোৱা বুলি কব নোৱাৰি।

Shri Kamakhya Prasad Tripathi :

মাননীয় সদস্যই ঠিকেই কৈছে। কিন্তু যি বিলাক বাজেট সদনত দাঙি ধৰা হৈছে সেইবিলাক যদি সদনত পাছ নহয়, তেতিয়া হলে সেইটোত অনাস্থা প্ৰস্তাৱ দাঙি ধৰা হয় আৰু Ministry fall কৰে। কিন্তু আমেৰিকাত সেইটো নহয়। আমেৰিকাত ৰাষ্ট্ৰপতি জনলৈ বাণীটো পঠায় আৰু তেখেতে চাই চিন্তি সেইটো ইফাল সিফাল কৰিব পাৰে। কিন্তু আমাৰ ইয়াত যদি বাজেট পাছ নহয় আৰু যদি অনাস্থা প্ৰস্তাৱো নহয়, তেতিয়াহলে বাজেটটো ইফাল সিফাল কৰিব পৰা যায়

Jonab Rahimuddin Ahmed : সেইটো মোৰ প্ৰশ্ন নহয়।

Shri Premodhar Bora :

তেতিয়া হলে যোৱা বছৰৰ বাজেটৰ যিটো আসোঁৱাহ সেইটো কিয় একে ধৰণে থাকিল আৰু ইয়াৰ ইফাল সিফাল নহল কিয়?

Shri Kamakhya Prasad Tripathi :

ইফাল সিফাল কৰিব পৰা যায়।

Jonab Rahimuddin Ahmed :

এতিয়া কথা হ'ল চিলঙৰ পৰা ডিব্ৰুগড়লৈ যোৱা ৰাষ্টাৰ মাজত সোনাপুৰ আৰু জাগিৰোড্ অঞ্চলত এটা সামান্য দলং আছে। এই দলংটো যি জন ইঞ্জিনিয়াৰে estimate কৰিছিল সেইটো High Level ত কৰা কি যুক্তি আছিল ? এই দলংটোৰ construction ত বহুতো টকা খৰচ হৈছে দুটা শূন্য বাঢ়ি গৈছে ইমান খৰচ কৰাৰ কি প্ৰয়োজন। এই দলঙেদি কোনো নাওঁ নাহে কোনো জাহাজ পাৰ হৈ নাহে। কোনো বেপাৰ বাণিজ্যৰ প্ৰধান কেন্দ্ৰ নহয়। এইটো High Level নকৰা হলে মটৰ যাব নোৱাৰা হলহেতেননে কি ?

Shri Kamakhya Prasad Tripathi :

মাননীয় সদস্যই ঠিকেই কৈছে। এই দলংখন নতুন; গোটেই অসমত এনেকুৱা দলং সাত খন আছে, তাৰ ভিতৰত ইও এটা। এই ক্ষেত্ৰত মই মাননীয় সদস্যৰ লগত একমত। কিন্তু এইটো ঠিক যে ডাঙৰ বানপানী হলেও এইখন দলং নবুৰে। অৱশ্যে কোনোবাই construction ত ভুল কৰিছে।

Jonab Rahimuddin Ahmed :

যি নহওক এই দলংখন মেৰামতি কৰোতে, কাঠ আদি যোগাৰ কৰোতে প্ৰায় ৪.৮৮ হেজাৰ টকাৰ সম্পদ allotment কৰিছে। কিন্তু এইবিলাক হিচাব কৰি চাওক যাতে টকা বোৰ অযথা খৰচ নহয় আৰু পাছত বস্তুবোৰ পেলাব লগীয়া নহয় তাৰ বাবে বিত্তমন্ত্ৰীয়ে চিন্তা কৰক।

তাৰ পাছত মোৰ সমষ্টিত এটা ৰাষ্টা ১ লাখ ৭ হেজাৰ টকাৰ estimate কৰিলে। কিন্তু টকা sanction হবৰ সময়ত কলে যে টকা নাই।

কিন্তু পাছত ৰাইজে টানি ধৰাত P.W.D. বিভাগে এই ৰাষ্টাটো ১লাখ ৭ হেজাৰতে চাৰিওফালে কিছু ঠেক কৰি কৰিবলৈ অনুমতি দিলে। পাছত ৰাষ্টাটো ৪ ফুট ঠেক হল। এইদৰে চৰকাৰে ভুল নীতি দিয়ে। ইয়াৰ মত্‌লব কি বুজিব নোৱাৰিলোঁ। এতিয়া ৪' ফুট্ কমি যোৱাত ৰাষ্টাটো কোনো কামত অহা নাই। গতিকে শতকৰা ৩০ ভাগ যদি বেলেগে তেওঁলোকৰ হাতত থাকে তেন্তে সেইবোৰ কাৰ্য্যকৰী কৰিছেনে নাই আৰু estimate কৰা মতে হৈছেনে নাই, সেইটো চকু ৰাখিব লাগে।

তাৰ পাছত পঞ্চায়ত সমন্ধে এটা কথা কওঁ যে এই পঞ্চায়তত কি হৈছে ?

আপোনালোকৰ পৰা ঋন লৈ টকা বোৰ অপচয় কৰিছে। হাজোৰ ওচৰত এটা বৰপুখুৰী আছে ৰজাৰ দিনৰে পৰা। তাত ৫৩ বিঘা মাটি আছে। তাক মুকলি কৰি খেতি কৰিবৰ বাবে পঞ্চায়তে ৩১ হেজাৰ টকা ঋণ লৈ ২৫ হেজাৰ টকাৰ estimate কৰে।

আজি Fishery বিভাগটোক লৈ আলোচনা চলিছে। ইয়াত কেনেকুৱা ধৰনৰ অপচয় হৈছে ভাবিলে আচৰিত হব লাগে। ইয়াত এইবাৰ ৩০ হাজাৰ টকাৰ কেনেকৈ অপচয় হ'ল কোনেও উলিয়াব নোৱাৰে। আনহাতে আমাৰ দুখীয়া খেতিয়ক ৰাইজৰ ওপৰত কৰৰ বোজা জাপি দিছে এইটো কেতিয়াও হব নোৱাৰে। আজি মীনমহলৰ যি ৩০ হাজাৰ টকা অপচয় হ'ল এইবোৰ কলৈ গ'ল। কাৰণ এইবিলাকও পঞ্চায়তৰ Secretary ও Challange কৰিছে। আপুনি এই কথাটো Note কৰক। অথচ এইটো কথা অন্ধকাৰত ৰাখি আছে। এই দৰেই আজি আমাৰ কৃষক ৰাইজৰ ১৬ লাখ টকা ক্ষতি কৰিছে। আনহাতে আমাৰ কৃষকক ৰক্ষা কৰিবৰ কাৰণে নানান আঁচনি লৈছে। যেতিয়া Control rate ত ধান ছাউলৰ দাম ২২ টকা তেতিয়া তাৰ মুনাফা আমাৰ খেতিয়কে নাপায় কাৰণ আমাৰ কৃষকে ১২।১৪ টকাকৈ বিক্ৰী কৰি দিয়ে। কাৰণ আমাৰ কৃষকৰ লগত Direct Purchasing Capacity Apex Marketing Society ৰ নাই। তাত প্ৰায় ৮ লাখ মান টকা লোকচান হৈছে। কাৰণ প্ৰথমতে এই ধান বিলাক ১২ টকা মোনে মাৰোৱাৰী এজেণ্ট সকলে কিনে। তেওঁলে'কে কিমান সংগ্ৰহ কৰিলে আৰু কিমান লাভ কৰিলে সেইটো আপুনি তেওঁলোকক সুধিলেই পাব।

Shri Lakshmi Prasad Goswami :

মাননীয় সদস্য বোলে Apex-marketing Society ৰ Chairman. কিয় এইটো ভাল কৰিব নোৱাৰীনে ?

Jonab Rahimuddin Ahmed :

সেইটো মোৰ শক্তি নহল। কাৰন ১৯৬৮ চনত তাত যি ধানৰ গুদাম আছিল সেইটোত যোগান বিভাগৰ পৰা অনুমতি লোৱা হ'ল। তাৰ পাচত কোৱা হ'ল যে সেইবিলাক তেওঁলোকৰ হাতত নাই। সেইকাৰণে আমি কব খোজো যে, অসমত সমবায় সম্পূৰ্ণ ভাৱে ব্যৰ্থ হৈছে। অসমৰ সমবায়লৈ আপুনি উপযুক্ত মানুহ আহিবলৈ নিদিয়ে। বুদ্ধি কৰি যি বিলাক ক'লা বেপাৰী সেইসকলক সমবায়লৈ

আহিবলৈ সুযোগ দিয়ে। উদাহৰন স্বৰূপে মই এজন মানুহৰ কথা কব খোজো যি জনে নিৰ্ব্বাচনৰ সময়ত সুবিধা গ্ৰহন কৰিলে আৰু সেই কথাটো আপোনালোক সকলোৰেই চিন্তা কৰিব। সমবায়ৰ যি Granery তাৰ Audit ত ধৰা পৰিছে যে ৫ লাখ টকাৰ হিচাব মিলা নাই। তাৰে এজন মানুহে ৪০ হাজাৰ টকা লৈ Hire Purchage ত গাড়ী কিনিলে। এতিয়া তেওঁ Arrest হৈছে টপচিবা-ৰীত। এইবিলাক কংগ্ৰেছৰ মানুহেই হওক বা বিৰোধী পক্ষৰ মানুহেই হওক আজি সমবায়ত এনেকুৱা মানুহ সোমাইছে। এই প্ৰসংগত মই প্ৰশ্নও দিছো। আজি এনেদৰে সমবায়ত ক'লা বেপাৰ চলিছে। আমি এই কথাবোৰ আজি চাবলাগিব।

আজি কৃষকক উপকাৰ কৰিবৰ কাৰণে জলসিঞ্চনৰ যি ব্যবস্থা কৰিছে বা যি আঁচনি কৰিছে তাৰো কোনো ফল ধৰা নাই। আজি এইটো চাবলৈ হলে যমুনা Irrigation লৈকে চাওক। তাত যদি আপুনি পৰীক্ষাকৰে তেতিয়া দেখিব তাৰ পানী সম্পূৰ্ণ সুকায় গৈছে। ইয়াৰ পৰা আজি কৃষকৰ কেনেকৈ উপকাৰ কৰিছে মই কব নোৱাৰো। আজি কৃষকক ঋণ দিবৰ কাৰণে R.S.S. বা S.S.S. কিছুমান Society গঠন কৰিছে। কিন্তু ইয়াৰ পৰাও কোনো লাভ হোৱা নাই। আমাৰ যি Co-Operative Bank স্থাপন হৈছে তাৰ কিছুমান Rival Bank ও স্থাপন হৈছে। ফলত আজি Co-Operative Bank টিকিব পৰা নাই।

**Mr. Speaker :**

আপোনাৰ ১৫ মিনিট হৈ গ'ল। ( সময়ৰ সংকেট )

**Jonab Rahimuddin Ahmed :**

গতিকে আজি আমি কব পাৰো যে, যি টকা জনসাধাৰনৰ মঙ্গলৰ কাৰণে ধৰা হয়, তাৰ পৰা জনসাধাৰনৰ কোনো ৰকমেই উপকৃত হোৱা নাই। ইয়াৰোপৰি আমাৰ হোজাই অঞ্চলত চৰকাৰৰ কোনো চকু পৰা নাই। আমাৰ হোজাই অঞ্চলত প্ৰায় ৫ লাখ মানুহ আছে। আজি এই মানুহসকল ৰাজনৈতিক, অৰ্থনৈতিক বা অন্যান্য ক্ষেত্ৰত পিচপৰি আছে। আজি ১৯৫৮ চনৰে পৰা আমি এই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰি আছো। তাত এটা Subdivision হোৱা কাৰণেও আমি চৰকাৰক অনুৰোধ কৰি আছো। ইতিমধ্যে ইয়াত Sub Division কৰাৰ কাৰণে পৰিকল্পনা কৰি মাটিও ললে। অনুগ্ৰহ কৰি এইটো চাব।

শেষত মই এটা কথা কব খুজিছো, যে, আমাৰ শিক্ষা বিভাগত বৰ বেয়া কেৰোন সোমাই আছে। এইটো ভালকৈ চাবলাগিব। শিক্ষা বিভাগৰ যি Record সেইটো চায় শিক্ষাৰ কোনো অগ্ৰগতি পৰিলক্ষিত নহয়।

**Shri Lakshmi Prosad Goswami :**

M.L.A. সকলৰ কাৰণেই কোনো কাম কৰিব নোৱাৰে।

**Jonab Rahimuddin Ahmed :**

মই সেইবোৰ কথা বিশ্বাস নকৰো। গতিকে ইয়াৰ যাতে এটা ভাল বিবেচনা হয় তাকে অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

***Shri Debeswar Sarmah :**

অধ্যক্ষ মহোদয়, মই যদি আমাৰ মাননীয় বিত্তমন্ত্ৰীক এই বাজেটখনৰ বাবে অভিনন্দন জনাব পাৰিলোহেঁতেন তেতিয়াহলে মই আন্তৰিক ভাৱে সুখী হলোহেঁতেন। কিন্তু মোৰ নিজৰেই দুৰ্ভাগ্য আৰু দুখৰ বিষয় যে মই তেখেতক অভিনন্দন জনাব পৰা নাই। কিয়নো গোটেই বাজেট খন পঢ়ি চালে এটা কথাই প্ৰতীয়মান হয় যে যি বিলাক কৰ কাটলৰ প্ৰস্তাৱ দিছে সেই কৰ-কাটলৰ প্ৰস্তাৱ বিলাক দুখীয়াৰ কান্ধতহে বেছি গধুৰ হৈ পৰিছে। দুই চাৰি গৰাকী অৱস্থাপন্ন মানুহৰ ওপৰতো যে বেছিকৈ নপৰিব এনে নহয়, কিন্তু এই বাজেটখনত আমাৰ এটা বৰ অসুবিধা হৈছে যিটো মই কেইদিনমান আগতেও কৈছিলো, যে কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি কিমান ধন পাওঁ আৰু কেন্দ্ৰীয় চৰকাৰে আমাৰ পৰা কিমান ধন পায় বিভিন্ন শিতানত তাৰ যদি এটা বিতং খচৰা দিলেহেতেন আমাৰ আলোচনা কৰিবলৈ সুবিধা হ'লহেতেন। দুৰ্ভাগ্যৰ বিষয় সেইটো পোৱা নাই। বোধকৰো সদন বহি থকা বাবেই তেখেতৰ বিভাগটো ব্যস্ত আছে। আমাৰ ভাৰতীয় সকল আশাবাদী, এইটো দৰ্শনেই। আমিও আশা কৰি আছোঁ। বাজেটখন আলোচনা কৰিবলৈ আহুকাল হয়, কিয়নো কিমান কো-অপাৰেটিভ আছে কিমান কোম্পানী আছে কিমান লোকচান হৈছে আৰু চৰকাৰে কিমান কো-অপাৰেটিভক বা কোম্পানীক বা প্ৰাইভেট কোম্পানী বা private industrialists ক কিমান ধন ধাৰে দিছে সেই বিলাক জীয়াই আছে নে গ'ল সেই বিলাক জানিবৰ আমাৰ উপায় নাই, কাৰণ এনে বিৱৰণী এখনো পাবলৈ

---

*Speech not corrected

নাই। য'ত কথা বিলাক থুপতে পাব পাৰি। আজি Finance Acconnts Audit Report এই বিলাক অত্যাৱশ্যকীয় কাম। সেই কাৰণে Single report on Corporations and Companies and the loan that Govt. issues to different industrialists, এই বিষয়ে এটা statement গোৱা দৰকাৰ।

অধ্যক্ষ মহোদয়, মই বাজেটলৈ অহাৰ আগতে ২।৩ মান অত্যাৱশ্যকীয় বিষয় নিবেদন কৰিব খুজিছো। মই আপোনাৰ জৰিয়তে সদনলৈ আৰু সদনৰ জৰিয়তে ৰাইজক নিবেদন কৰিছো কাৰণ, আমি ৰাইজৰ প্ৰতিনিধি। আজি আমি কব লাগিব যে শদিয়াৰ পৰা ধুবুৰীলৈ যদি যোৱা যায় তেন্তে দেখা যায় প্ৰায় বহুত মানুহেই, সকলো বুলি কলেও বেছি কোৱা হয়, শ্বিলঙৰ পৰা ৰাজধানী কেতিয়া উঠাই আনিব, সেই একোটা প্ৰশ্নই সুধি থাকে। আপোনা সকলকো নিশ্চয় সুধিছে। বৃটিচৰ দিনত শ্বিলঙত ৰাজধানী আছিল। সিদিনাখন এটা প্ৰস্তাব লৈছে, কিন্তু মই মোৰ ভোট দিয়া নহ'ল কাৰণে অনুশোচনা কৰিছো। জীৱনত বহুত কমেই অনুশোচনা কৰিছো। কিন্ত এটা অনুশোচনা জীয়াই থকা দিন কেইটা থাকিবই। চৰকাৰে ৰাইজক স্পষ্টভাৱে জবাব দিব লাগে যে শ্বিলঙৰ পৰা ৰাজধানী উঠাই নিব নে নিনিয়ে? আজি মেঘালয় সৃষ্টি হ'ল। এই ৰাজ্য সুখে সমৃদ্ধিৰে থাকক এইটো কামনা কৰো। নগাৰাজ্য হ'ল, নগাৰাজ্যৰ লগত একেলগে থাকিব পালে ভাল পালোহেতেন কিন্তু আমাৰ ফালৰ পৰা কোনো প্ৰচেষ্টা নাই। ইয়াৰ কাৰণ তেওঁলোক দোষী নহয়।

কালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নেফাৰ কথা কলে যে নেফা আমাৰ ওচৰতে থকাৰ আশা কৰে। মোৰ কবৰ মন আছিল, কিন্তু তেখেত আজি ইয়াত নাই। গাওঁ ভাল নহয়। কটু কথা কবৰ মন নাযায়। বয়সতো মোতকৈ সৰু। if wishes were houses beggers could ride, নেফা আমাৰ লগত সমিলমিল হলে আমি ভাল পাওঁ কিন্তু তাৰ বাবে চৰকাৰৰ ফালৰ পৰা কি কৰিছে আৰু ৰাইজৰ তৰফৰ পৰা কি কৰা হৈছে? নেফা নাহে বুলি কলে আমাৰ দোষ নহবনে? অতএব আমাৰ ৰাজ্যখন ঠেক হৈ আহিছে। আমাৰ ৰাজধানী শ্বিলঙপাহাৰৰ ওপৰত থকাৰ কোনো আৱশ্যক নাই। এই কেইষাৰ কথা কৈছো Considering the miserable condition of our finance.

আমাৰ বিত্তীয় অৱস্থা শোচনীয় হোৱা কাৰণে বহুত কাম কৰিব পৰা নাই। সেই বিষয়ে কব খুজিছো যে অফিচাৰ সকল, M.L.A সকল আৰু মন্ত্ৰীসকলক কিমান টকা বছৰি দিয়া হয় গুৱাহাটীৰ পৰা শ্বিলঙলৈ অহা যোৱা কৰা কাৰণে। বছৰি এই খিনি টকা বচালেও বহুত ভাল কাম কৰিব পৰা যায়। মই ভাবো ইয়াত ৰাজধানী থকাৰ কোনো আৱশ্যকতা নাই। অফিচাৰ সকলে বা মন্ত্ৰীসকলে বা অন্য মানুহেও এই ৬৫ মাইল আহি কোনো কাম কৰিব নোৱাৰে। কিছুমানে কৰিব পাৰিলেও যি বিলাক আয়াসী, দুখ কষ্ট কৰা অভ্যাস নাই, সুকোমল শৰীৰ তেওঁ বিলাকে কাম কৰা টান পায়। আটাইতকৈ ডাঙৰ কথা হ'ল মন্ত্ৰীসকল আৰু সদস্যসকলৰ টিঘিল ঘিলনি ইয়াৰ পৰা ৰাজধানী গলে অন্ততঃ আধাখিনি কমি যাব। কথা বিলাক অলপ ভাবি-চিন্তি কবলগীয়া হব। অৰ্থাৎ গুৱাহাটীত হোৱা হলে।

গণতন্ত্ৰ হৈছে ৰাইজৰ লগত সংযোগ ৰখা কথা। বৃটিচৰ দিনত colonial অৰ্থাৎ ঔপনিবেশিক শাসন আছিল কাৰণে শ্বিলঙত ৰাজধানী পাতিছিল তেওঁ-বিলাকে ভাল পাইছিল। তেওঁবিলাকৰ Democracy নহয় colonial admi. nistration সেই কাৰণে তেওঁবিলাকৰ সুবিধা কৰি লৈছিল এই আহহতীয়া শ্বিলঙ পাহাৰত ৰাজধানী পাতি। কিন্তু বৰ্ত্তমান ইয়াত ৰাজধানী ৰখাৰ কোনো কাৰণ নাই। আমি আশাকৰো যেন অহাবাৰ আমাৰ বাজেট যাতে ইয়াত পাচ কৰা নহয়। টিনৰ চালি বা Assam পেটানৰ ঘৰ সাজি হলেও গুৱাহাটীত বাজেট পাচ কৰা ভাল হব। নহলে অহা বাৰলৈ বাজেট ইয়াত পাচ কৰিব লাগিলে কথা অলপ গোলমলীয়া হব বুলি মই আগতেই কৈ থলো।

ইয়াত শ্বিলঙত ২/৩ মহলীয়া ঘৰ বিলাক, concrete ঘৰ বিলাক কাৰ গৰজত, কাৰ উচটনীত সাজিছে বুজি নেপাওঁ। এই ঘৰবিলাক unfit আৰু দেখিবলৈও আপচু। গুৱাহাটীত মাটিৰ অভাৱ নাই। বহুত পাহাৰ আছে। পাহাৰ বিলাকত ঘৰ সাজিব পাৰে। বশিষ্ঠৰ ফালে গলেও মাটি আছে। Assam patern ৰ ২।৪ হাজাৰ ঘৰ বান্ধিব পৰা ঠাই আছে। ৪,৫ হাজাৰ অসমীয়া ঠিকাদাৰক ২।১ টাকৈ ঘৰ সাজিবলৈ ঠিকা দিলেও অতি কম সময়তে হৈ যাৰ। কাঠৰ খুটা দিয়ক, আৰু ওপৰত Asbestors ৰ চিলিং দিয়ক। ১৯০২ চনতেই Cotton College আৰু Commerce College ৰ বিল্ডিং সজা হৈছিল আৰু

শ্ৰদ্ধেয় বাণীকান্ত, শৰৎ শৰ্ম্মাই তাতেই পঢ়ি গৈছিল। এতিয়াও সেই বিল্ডিং একেই সুন্দৰ হৈ আছে। তেওঁলোকে R.C.C. Building তৈয়াৰ কৰা নাছিল। গতিকে আমাবো R.C.C. Building নবনালেও চলি যাব। আমাৰ আইসকলে জাৰত খেৰ গোটাই আনি জুই ফোঁহাই আৰু আমি লৰা-ছোৱালী বিলাকে over coat পিন্ধি জাৰ নিবাৰণ কৰো।

অধ্যক্ষ্য মহোদয়, Administration সম্পৰ্কে যিখিনি কৈছো, সেইখিনি এজন সদস্য হিচাবে যি খিনি দায়িত্ব আছে সেই খিনিহে কৈছো। মই এজন পুৰণি সদস্য, সেই কাৰণে মই নিজে মূৰ তলকা মাৰিলে নহব। চৰকাৰৰ ওচৰতো দোষ দিব খোজা নাই। এতিয়া অন্তৰ দৃষ্টিৰে নিজে নিজক চাবৰ হৈছে।

অধ্যক্ষ মহোদয়, আপোনাক সুধিব নাপায়, আপুনি এগৰাকী প্ৰতীক। Speaker ৰৰ চকু থাকে, কান থাকে, বাকী মানুহ নহয় impersonal. আপোনাৰ জৰিয়তে চৰকাৰক সুধিব খুজিছো চৰকাৰে বুকুত হাত দি কব পাৰিব নে অসমত শাসন আছে নে নাই? অসমত শাসন নাই, মাত্ৰ যন্ত্ৰৰ দৰে চলি আছে। আমি সৰু কালত ৰেলৰে ষ্টেচনত shunting কৰা চাই থাকো। ইঞ্জিনটোৱে দবা বিলাক এবাৰ আগলৈ আৰু এবাৰ পিচলৈ নিয়ে, তাৰ পিচত কপিলিং কাটি দিয়াৰ লগে লগে দবা বোৰ ঘৰ্ঘৰ্কৈ গৈ থাকে আৰু শেষত ৰয়গৈ। শাসনযন্ত্ৰটো ইঞ্জিনৰ গতিৰ দবাবোৰৰ দৰে Momentum ত চলি আছে। Momentum ৰ অসমীয়া কি আছিল? মই অসমীয়া হৈ নিজেই নাজানো।

Shri Kamakhya Prasad Tripathi : গতিশীলতা।

Shri Debeswar Sarmah :

ত্ৰিপাঠী সকলো পিনে আছে, কেৱল দুখীয়া মানুহৰ লগত সংযোগ কম। তেখেতক অন্তৰৰ পৰা Admire কৰো। তেখেতে যদি দুখীয়া সৰ্ব্বসাধাৰণৰ কথা বুজিব পাৰিলেহেতেন, অন্ততঃ Tax ৰ Proposal নানিলেহেতেন। কিন্তু Constitution ৰ কথা নকৈ নোৱাৰো, আজি গোটেই প্ৰদেশ খনকে পিৰি পেলোৱা কথাটো কম। শাসনৰ ক্ষেত্ৰত আজি কি হৈছে? আমাৰ শাসন বেয়া হোৱাৰ ভালেমান কাৰণ হৈছে। বৃটিছসকলে ভালকৈ শাসন চলাব জানে। আমাৰ তেওঁলোকৰ মতামতত সন্মত হয় নে নহয় নাজানো।

কিন্তু বৃটিছে শাসন জানিছিল। আমি বহুদিন গোলামীৰ পিচত শাসনলৈ আহিছো। মই ভাৱো আমি কি হৈছো? আমাৰ মূখ্যমন্ত্ৰী নাই কাৰণে বাদ দিছো। আমাৰ মন্ত্ৰীসভাৰ পৰা প্ৰত্যেকেই ৰাইজৰ সেৱক বুলি কয়; কিন্তু মনৰ ভিতৰত থাকে ৰাইজৰ মূৰত উঠি থকা একোজন। শাসনত বৰ হেতা ওপৰা হৈছে। যোৰহাটৰ সাহিত্য সভালৈ বৃটিছৰ দিনৰ গৱৰ্ণৰ I.C. waker ক D.C. এ মাতি নিব খুজিছিল। কিন্তু প্ৰগেম নাই কাৰণে তেখেত তালৈ নগল। কিন্তু আমাৰ গৱৰ্ণৰে wood-crafts ৰ চাহ খাবলৈ গৈছিল। মই D.C. ক সুধিছিলো গৱৰ্ণৰে wood-crafts ৰ চাহ খাবলৈ যোৱা order লৈছিল নেকি? তেখেতে কলে নাই লোৱা। কিন্তু J.C. waker এ প্ৰগ্ৰেম নাই কাৰণে যাব নোৱাৰো বুলি কলে। D C. ক ক্ষমতা নিদিয়ে। নামত সকলো আছে। S.D.C. ক ক্ষমতা নিদিয়ে। গতিকে কেনেকৈ হব? মাননীয় সদস্য ৰমহিমুদ্দিন চাহাবে কৈছিল অফিচাৰৰ কথা মন্ত্ৰীয়ে বেছি চায়, আমাৰ কথা নাচায়। মই কওঁ আমি সকলো কথাতে চকু দিব লাগে। অফিচাৰক interfere কৰিব নালাগে। দোষ পালেই ধৰিব লাগে। অকল minister পাতিলেই আমাৰ নহব পাৰে। তিনি বছৰৰ charter কৰি মেম্বাৰ সকলে যাব যত grievence আছে সেই বিলাক মিনিষ্টাৰক কব Administration বৰ বেয়া হৈছে, গণতন্ত্ৰৰ এতিয়া সীমা চেৰাই গৈছে। এনেকুৱা স্তৰলৈ নিলে চৰকাৰে কোনো কাম কৰিব নোৱাৰে। Land Advisory কমিটিৰ কথা কওঁ, তেওঁলোকক গৱৰ্ণমেণ্টৰ চাকৰিয়াল কাক কত মাটি দিয়ে দিয়ক ভুলকৰি দিলে আমি ধৰিম। লগত মানুহ লৈ আহি মাটি দিয়ে। ফলত D.C. এ ভাল পাইছে, কাম নাই এনেই দৰমহা পাব। Administration ত বৰ দিগদাৰী হৈছে। আমাৰ এতিয়া কি হৈছে "কাকো দেখি ৰান্ধে বাঢ়ে, কাকো দেখি চুৰাৰ মাৰে"। অফিচাৰ সকলে এইদৰে অসন্তোষৰ সৃষ্টি কৰিছে। মই ইয়াত Chief Minister ক কৈছিলো যে বনৰীয়া বুন্দাই পছু মাৰি নুখুৱায়। তেতিয়া তেখেতে কলে আমি বনৰীয়া বুন্দা নাভাৱো। মূখ্যমন্ত্ৰীয়ে যে লায়কৰ কথাই কৈছে। কিন্তু মই ভাৱো কোনো লোকে আমাৰ অসমৰ স্বাৰ্থৰ কথা মাত্ৰ খুন্দা মাৰি image বঢ়াব নালাগে। এতিয়া Administration বেয়া হোৱাৰ কাৰণ বুজি পাইছো। আমাৰ ইয়াত বহুত I.A.S. officer সোমাল, অৱশ্যে সকলোবোৰ যে বেয়া, এইটো কথা নহয়। উৎকৃষ্ট অফিচাৰো আছে কিন্তু অধিকাংশ I.A.S,

officer আমাৰ ৰাজ্যৰ বাহিৰৰ, তওঁলোক কেতিয়া দিল্লীলৈ যাব, খাপ লৈ থাকে। কেতিয়া কলিকতাত Lake ৰ পাৰত ঘৰ কৰিব, হায়দাৰাবাদত ঘৰ কৰিব তাৰ কাৰণে খাপ লৈ থাকে। তেখেত সকল Retire কৰিলে বেয়া কাম কৰাৰ কাৰণে দুখ দিবলৈ লগ নাপাওঁ। তেওঁলোক বাহিৰৰ মানুহ যেতিয়া দায়িত্ব নাই। এইদৰেই Administration টো বেয়া হৈছে। কিন্তু অধিকাংশ I.A.S. officer এ এই ৰাজ্যখনৰ বাহিৰৰ পৰা অহা। তেখেতসকলে কেতিয়া দিল্লীলৈ যাব কেতিয়া কলিকতাৰ Lake ৰ পাৰত ঘৰ কৰিব, কেতিয়া কাশ্মীৰলৈ উভতি যাব তাৰ কাৰণে খাপ দি থাকে। তেওঁলোক ইয়াৰ পৰা গুচি যায় কাৰণে তেওঁলোকক পাছত লগ পোৱাৰ সুবিধা নেথাকে। সেই কাৰণে তেওঁলোকৰ এই ৰাজ্যখনৰ প্ৰতি বৰ দায়িত্ব নাই। বিশেষ দায়িত্ব নাই কাৰণে ৰাজ্যৰ প্ৰশাসনো বেয়া হৈছে। তদুপৰি অলপ দিনৰ আগতে যোৰহাটত এজন D.C. আছিল, তেতিয়া তিনিগৰাকী মহিলাই, মই তেওঁলোকৰ নাম কব নোখোজোঁ। তেওঁলোকে ইন্দিৰা দেবীৰ আগত কৈছিল যে অসমীয়া ল'ৰাই অপদস্ত কৰাৰ কাৰণে তেওঁলোকে বোলে আবেলি সময়ত ৰাস্তাত ফুৰাচকা কৰিব নোৱাৰে, বজাৰ সমাৰ কৰিব নোৱাৰে, এই officer বিলাকে অসমৰে খায়, অসমৰ বুকুতে থাকি আকৌ অসমকে লাঠি মাৰিবলৈ চায়।

১৯৫১ চনৰ পৰা ১৯৫৭ চনলৈকে I.A.S. officer অসমত আছিল ৪২ জন। কিন্তু ১৯৫৮ চনৰ শেষ ভাগৰ পৰা এই সংখ্যা বাঢ়ি গৈ ৮০ জন পালেগৈ। তাৰ পাছত ১৯৬১ চনত ১১৭ জন আৰু ১৯৬৮ চনত ১১৮ জনলৈ বাঢ়িল। আমাৰ অসমত যদি ধন নাই বুলি কয়, তেনেহলে ইমান বিলাক I.A.S. officer কিয় পুহিব লাগে ? আমাৰ A.C.S. officer ত কৈ সকলো বিলাক I.A.S. officer ই ভাল নেকি ? অৱশ্যে সকলো বিলাক I.A.S. officer কে মই বেয়া বুলি নকওঁ। তেওঁলোকৰ ভিতৰতো বহুত ভাল অফিচাৰো আছে আৰু সেইদৰে A.C.S. বিলাকৰ মাজতো কিছুমান ভাল officer আছে আৰু কিছুমান বেয়া অফিচাৰো আছে। A.C.S. officer ৰ বহুতো ১৩/১৪ বছৰ কাম কৰিও Sub-Division এখন নেপায়; কিন্তু I.A.S. এজনে ৪/৫ বছৰ কাম কৰিয়েই Sub-Division ৰ দায়িত্ব লবলৈ পায়। যোৰহাট "ৰেমা" নামৰ এজন নগা খৃষ্টান অফিচাৰে কি অৱস্থাৰ সৃষ্টি কৰিছিল, সেইটো

আপোনালোক সকলোৱে জানে। সেইটো ইয়াত বহলাই কোৱাৰ প্ৰয়োজন নাই।

আগৰ I.C.S. অফিচাৰ বিলাক বৰ উপযুক্ত বিষয়া আছিল। তথাপিও ১০/১২ বছৰ কাম কৰাৰ পাছতহে তেওঁলোক D.C. হবলৈ পাইছিল। কিন্তু এতিয়া ওঁঠ সেপিলে গাখীৰ ওলোৱা ল'ৰা I.A.S. অফিচাৰ হৈ চাৰি-পাঁচ বছৰৰ ভিতৰতে D.C. হয়। কিন্তু এনেকুৱা দায়িত্বপূৰ্ণ কামৰ কাৰণে বিশেষ অভিজ্ঞতাৰ প্ৰয়োজন। গতিকে আমাৰ চৰকাৰে উপযুক্ত অফিচাৰ বিলাকক ৰাখি বাকী অপদাৰ্থ বোৰক দিল্লীলৈ পঠাই দিয়ক আৰু কৈ দিয়ক যে আমাৰ ধন নাই আৰু আমি তেওঁলোকক পুহিব নোৱাৰো।

A.C.S. অফিচাৰ বিলাক থাকে I.A.S. অফিচাৰ বিলাকৰ তলত A.C.S. অফিচাৰ বিলাকে ভাল কাম কৰি দিয়ে আৰু নাম হয় I.A.S. ৰ। মোৰ সেইকাৰণে এফাকি বঙালী কথালৈ মনত পৰিছে—

আমি মাৰলাম লাঠি"
দাদাৰ হ'ল নাম
ধিক দাদা; ধিক নাম
আমাৰ বিধি ৰাম"

সেই কাৰণে মই কওঁ যে যদি আমাৰ প্ৰশাসন ভাল কৰিব লৈ খোজে, তেন্তে ৪০ জন মান উপযুক্ত I.A.S. বিষয়া ৰাখি বাকী বিলাকক বিদায় দিয়ক। আমাৰ দেশখনক কেন্দ্ৰীয় চৰকাৰে লাও লোৱা কৰিলে। আমি পাব লগীয়া পইছা আমি নাপাওঁ আমাৰ crude oil ৰ বাবে আমি পাবলগীয়া টকা খিনিও পায় বিহাৰে। সেইকাৰণে আমাৰ টকা নথকা ঠাইত ৮৭ জন I.A.S. অফিচাৰ পুহিব নোৱাৰো। ৪০জনমান I.A.S. বিষয়া ৰাখি বাকী ৪৭ জনক কেন্দ্ৰীয় চৰকাৰক সোধাই দিয়ক। A.C.S. অফিচাৰ যি বিলাকে ভাল কাম কৰে তেওঁ-লোকক Recognise কৰিব লাগে। তদুপৰি মৰগীয়া বানচৰ লগত efficiency ৰ co-ordination ৰাখিব লাগে।

অফিচাৰ বিলাকে ভাল কাম কৰিছে বুলি কব পাৰিনে? শ্বিলঙলৈ এখন চিঠি আহিলে তাৰ উত্তৰ পোৱা নেযায়। আমাৰ সদস্য সকলৰ ওচৰলৈ কোনোবা মানুহ কিবা কামৰ কাৰণে আহিলে আমি মন্ত্ৰীৰ ওচৰলৈ যাওঁ, মন্ত্ৰীয়ে

হুকুম দিয়ে আৰু সেই হুকুম অফিচাৰৰ হাতত বা মন্ত্ৰীৰ টেবুলতেই হেৰায়।

(voices—ঠিক কথা কৈছে)

কিন্তু আমাৰ দেশৰ ৰাইজে হাড়ক মাটি কৰি তেজক পানী কৰি যি ধন দিছে আৰু যি ধনেৰে বিষয়া সকলক পোহা হৈছে, তেওঁলোকৰ নিশ্চয় ৰাইজ তথা ৰাজ্য-খনৰ প্ৰতি দায়িত্ব আছে।

আমি সকলো কথাকে মন্ত্ৰীক দোষ দিলেই নহব। মন্ত্ৰী বিলাক দায়ী এইটোৰ কাৰণেই যে ঘোৰাটো ভালকৈ নচলিলে চালকক দোষ দিয়াটো স্বাভাবিক। অৱশ্যে মই Senior Minister সকলৰ কথা কোৱা নাই, কিন্তু বাকীসকলে বৰ বেচিকৈ ভ্ৰমণ কৰি ফুৰাটো বন্ধ কৰিব লাগে। বহুতো Minister ক দেখিছোঁ T.A. টোকে Subsidiary income হিচাবে লৈছে। তেওঁলোকে ইমান বেচিকৈ ভ্ৰমণ কৰি ফুৰাৰ পৰা কিবা লাভ হৈছেনে? মন্ত্ৰীসকলে Desk work কৰক। কিন্তু এতিয়া Desk work বৰ কম হৈছে। আমাৰ প্ৰশাসন ভাল কৰিবলৈ মন্ত্ৰীসকলে শাসন কাৰ্য্য কৰিব লাগে — They should rule. কিন্তু যি দেখিছোঁ আমাৰ শাসকসকলে দিল্লীৰ কথা মতেহে কাম কৰে। কিন্তু কাম কৰিবলৈ গৈ যাতে নিজৰ ৰাজ্যৰ তিলমানো যাতে ক্ষতি নহয়, তালৈ লক্ষ্য ৰাখিব লাগে।

শাসনৰ লগত ছুটা কথা জড়িত আছে। সেই ছুটা হল Security and Law & roder. ৰঙা পাহাৰত যিটো ঘটনা ঘটিল সেইটো বৰ ছুখঃজন কথা। জাতিৰ জনক মহাত্মা গান্ধীৰ প্ৰতিমুৰ্ত্তিত আলকেটেৰা লগোৱা-টোতকৈ আৰু কিবা লাজ আৰু ছুখৰ কথা হব পাৰেনে? তেজপুৰৰ কাছাৰীৰ ওপৰত ৰঙা পতাকা উৰুৱা আৰু এই পতকাখন touch কৰিলে গুলি খোৱাৰ ভাবুকি দিয়া আৰু লক্ষীমপুৰৰ ঘটনা বৰ ছুখঃ জনক। আমি শুনিছোঁ ঈদৰ আগৰে পৰা বোলে এইবিলাক কাম যো-জা কৰা হৈছিল, অৱশ্যে সেইবিলাক কথা আপোনালোকেই বিচাৰ কৰি চাব। মই শুনা কথাহে কৈছোঁ।

আপোনালোকে নিশ্চয় কাগজত পঢ়িছে যে কলিকতা Presidency কলেজৰ ওপৰত ৰঙা পতাকা তুলিছিল। কিতাপ-পত্ৰ পুৰি পেলাইছিল। এই বিলাক নক্সাল পন্থীৰ কাম বুলি মানুহে কয় আৰু যাদৱপুৰ University ত কি ঘটিছিল কোনেনো নেজানে। Security ৰ ভাল ব্যৱস্থা দেশখন কেনেকৈ ৰব?

Sucurity ৰ কথা কবলৈ গলে বহুতো কথা কবলগীয়া হয়; কিন্তু মুখ মেলিলেই হয়তো communal বুলি ভাৱে; সেই কাৰণে জুখি মাখি কবলগীয়া হয়। আমি ভাল মানুহ হব লাগে সেইটো ঠিক। কিন্তু সেইবুলি দেশখনৰ কনিকাও মাত্র ক্ষতি হবলৈ দিব নোৱাৰি। আমি সদস্য হিচাবে আন নহলেও ৰাইজৰ ৫০০্ টকা খাইছোঁ সেইকাৰণে দুবাৰমান কথা কবৰ বাবে মোক কিছু সময় দিব লাগিব।

Mr. Speaker : আপুনি Recess ৰ পাছত কব।

Shri Debeswar Sarmah : মোক ৬০ মিনিট্ লাগিব।

Mr. Speaaker :
আধাঘন্টা মানেহে দিব পাৰিম। কাৰণ বহুতে কবলগীয়া আছে।

Shri Debeswar Sarmah :
যদি সময় নিদিয়ে, এতিয়াই কওক মই শুই থাকিম আৰু ইয়ালৈ নাহোঁ। কাৰণ Security ৰ কথাটো বৰ দৰ্কাৰী।

## ADJOURNMENT

The House then adjourned for lunch till 2pm.

*Shri Debeswar Sarmah :

অধ্যক্ষ মহোদয়, মই সময়ৰ কথা কৈছিলোৱেই আমাৰ মেধি ডাঙৰীয়াৰ ১৫ মিনিট শ্ৰীনৰেন শৰ্ম্মাৰ ১৫ মিনিট আৰু শ্ৰীশৰৎ গোস্বামীৰ ৫ মিনিট মুঠ ৩? মিনিট কম অনুগ্ৰহ কৰি আপুনি বেল নবজাব।

এতিয়া মই law and order ৰ কথা কম। এইযে Security বা নিৰাপতাটো আমাৰ administration ৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। কোনেও নজনা নহয় আৰু কাগজতো পঢ়িছে আমাৰ মুখ্য মন্ত্ৰীয়ে কৈছে, ৰাজহ মন্ত্ৰীয়েও কৈছে যে চীনৰ পৰা অস্ত্ৰ সস্ত্ৰ মিজো পাহাৰ, পাকিস্থানলৈ আহিছে আৰু পাকিস্থানৰ জড়িয়তে নগা Hostile লৈ আহিছে। কিছুমান দেশত বিৰোধী মানুহে আমাৰ দেশক ভাল নাপায় আৰু তেওঁলোকে চুকতে সোমাই বুকুতে গোৰ

*Speech not corrected

মাৰিছে। এই অস্ত্ৰ সস্ত্ৰ অহাটোত যদি আমাৰ administration ভাল ব্যৱস্থা নকৰে তেনেহলে দেশ গোটেই খনটো যাবই তেওঁবিলাকো যাব লগতে আমিও যাব লাগিব। কিন্তু আমাৰ কংগ্ৰেছ চৰকাৰে দেশৰ নিৰাপত্তা ৰক্ষাৰ বাবে ভাল ব্যৱস্থা বেয়াৰ ফালেহে ঠেলিছে। এতিয়া চাওঁক যোৱা ডিচেম্বৰ মাহৰ '৬৯ চনৰ ৫ তাৰিখে Assam Tribune ত প্ৰকাশ পাইছে মই পঢ়ি শুনাইছো।

" Pak Leader's claim on Assam - Maulana Bhashani, Pro-Peking leader of National Awami party has said that map of pakistan would remain incomplete without inclusion of Assam.

The fiery East-Pak leader made the statement in television interview in pakistan few days ago. Details of the interview are now available here.

Maulana advocated struggle for liberation of Assam till it became part of Pakistan. He disclosed that he discussed question of Assam in detail with Phizo, rebel Naga leader in London in 1966. Maulana added " we both wept over fate that befell Assam after partition of India."

ইয়াৰ ভিতৰতে আমাৰ মাননীয় সদস্য আজি ইয়াত মৌলনা ভাষিন চাহাবও আছে। তেখেতে ইয়াতেই বহি কন্দন কৰিছিল এতিয়া তেওঁ পাকিস্থানত। এতিয়া আকৌ কেন্দ্ৰীয় চৰকাৰে কাশ্মীৰৰ লগতে ফাৰাক্কাৰ সমস্যাটোও লৈছে। আনহাতে আমেৰিকা ৰাছিয়াই তেওঁলোকক অস্ত্ৰ সস্ত্ৰ দি আহিছে। ভাৰতলৈ যদিও অস্ত্ৰ সস্ত্ৰ দিছে armanent factoay ৰ লাভৰ কাৰণেই পঠিয়াই দিয়ে। আনকি যিথন দেশলৈ French আদিয়েও mirage হে পঠিয়াই। এতিয়া মোৰ কথা হ'ল পাকিস্থানৰ অসমৰ ওপৰত চকু আছেই। ইফালে চীনক লাগে তেল। "হৰিণাৰ মাংসই বৈৰী হৈছে"। আমাৰ অসমত তেল আছে কাৰণেই বিপদ। হৰিণাৰ মাংসৰ কাৰণেই বন্দুকেৰে তাক মাৰি খাই। আমাৰো একে অৱস্থা—আমাৰ অসমৰ তেল কিন্তু tax পায় বিহাৰে। সেই কাৰণে মই কৈছো আমাৰ নিৰাপত্তা ভালকৈ ৰক্ষা কৰিবৰ যত্ন কৰিব লাগে।

কিন্তু আমাৰ ভাল ব্যৱস্থাৰ কোনো লক্ষন দেখা নাই। কিয়নো মই যোৰহাট ডিব্ৰুগড়ত যি সকল পাকিস্থানী তেওঁলোকে চৰকাৰৰ ফালৰ পৰাই সুবিধা পায়। পুলিচৰ D.S.P. S.P. পইছা খাই— অৱশ্যে পুলিচক মই বেলেগ indentify কৰিব খোজা নাই—চৰকাৰেও তেওঁলোকৰ পৰা সহায় পায়। ইচ্ছাকৃত ভাৱেই হওক বা অনিচ্ছাকৃত ভাৱেই হওক আমাৰ চৰকাৰৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে সহায় পায়। ইয়াত এখন কাগজ lay কৰিছিল তাত পাকিস্থানী কিছুমান মানুহ অহা দেখুৱাইছে প্ৰায় ২৪৫১১ জন। ইয়াৰ ভিতৰত ৬৫,৬৬,৬৭,৬৯ এই 8 বছৰৰ ভিতৰতে অধিক সংখ্যক মানুহ আহিছে। কিন্তু কিয় আহিবলৈ পালে ?

মই আমাৰ অফিচাৰ নাই বুলি কোৱা নাই। আমাৰ অফিচাৰ আছে কিন্তু কামতহে ঠিক নাই। অৱশ্যে এইটো ঠিক যে পুখুৰী খান্দিলে ভেকুলী ওলাবই কিন্তু সেই বুলি পুখুৰী নখন্দাকৈ থাকিবনে ? P.D Act কৰা হৈছে, পৰিকল্পনাও কৰা হৈছে কিন্তু অসমত কি হৈছে ? অৱশ্যে P.D. Act লাগে মইও বিশ্বাস কৰো কিন্তু P.D Act মতে Arrest কৰিলে evidence কত পাব ? মই কও দেশৰ নিৰাপত্তা ৰক্ষা কৰিব নোৱাৰিলে চৰকাৰৰ কি থাকিব পাৰে ; কিন্ত P.D. Act কৰিলেই দেশৰ নিৰাপত্তা ৰক্ষা কৰা নহয়। Democracy ত P.D. Act লাগে কিন্তু Normal time ৰ কাৰণে নহয়। কেৱল Abnormal অৱস্থাৰ কাৰণেহে। মোৰ নিজৰ Clear opinion দিয়াৰ অধিকাৰ আছে মই আনৰ opinion respect কৰো আৰু মই ভাবো মোৰো opinion দিয়াৰ অধিকাৰ আছে।

কিন্তু কোনোবাই দৌৰাত্ম্য কৰিলে কিয় ধৰিবলৈ নাযাব বাৰু ? মাননীয় সদস্য সকলে তেনে কৰিলে কিয় ধৰি আনিবলৈ নাযাব বাৰু ? আজি infilla-tion জনা ৰাস্তাটো হৈয়েই আছে কিন্তু হাবি জঙ্গল বা নজনা বাটেদি কিমান আহে কত থাকে কোনে জানে ? গতিকে আমাৰ সমস্যা ভালেমান। এই বিলাক কথা কলে বেয়া পায় কাৰণে মই নকওঁ। এই কথাবিলাক লিখি ৰাখক ; মই নাথাকিবও পাৰো

মই চমু কৰিছো। এতিয়া নক্সাল পাটীৰ কথা কৈছো, আৰু বেছি কবলৈও নাই।

চীনা আক্ৰমনৰ সময়ত Jawaharalal Nehru এ কৈছিল My heart

goes with the people of Assam সেই সময়তে গুৱাহাটী circuit House ত অলোচনা হওঁতে কৈছিল ২ বছৰ ৰব লাগে। তাৰ পিচত চীনাই দেশ ললে কি উদ্ধাৰ কৰিব? ডেকাসকলক নি দেশ ৰক্ষাৰ কামত লগাব। আমাৰ চৰকাৰে কিন্তু এই বিলাক কথালৈ কেন্দ্ৰলৈ গৈয়েই থাকে। বোলে কলৈ গ'ল দিল্লীলৈ আঠু লবলৈ গল। কিন্তু দিল্লীলৈ আঠু লবলৈ গৈ কি কৰিছে? আমি গোসাঁই ঘৰত আঠু লওঁ নাইবা মাক দেউতাকৰ ওচৰতো মানুহে আঠু লয়। মই দেউতাৰ ওচৰত আঠু ললে কুশলে থাক বুলি কয়।

এতিয়া আমাৰ সময় আহিছে কথা বিলাক স্পষ্ট হবলগীয়া হ'ল। যি চৰকাৰেই থাকক বা যিয়েই চৰকাৰ নাথাকক যদি কেন্দ্ৰীয় চৰকাৰে অসমক মাহী-আইৰ চকুৰে চায় আৰু তেনেকুৱা ব্যৱহাৰ কৰে সেইটো বুজা নাযায় আৰু যদি প্ৰকৃততে মাহী আইৰ ব্যৱহাৰেই কৰে তেন্তে আমিনো সতিনি পো বুলি খ্যাত নহও কেলেই।

তাৰ পিচত Employment ৰ কথালৈ আহো। ই সমুহীয়া কথা, ৰাইজৰ কথা। জয়জয়তে যিবিলাক Report Employment Review Committee এ দিছে সেই বিলাক বৰ মূল্যবান Report. মই বিনীত ভাৱে এই Report ৰ তথ্য বিলাক চাবলৈ সকলোকে অনুৰোধ কৰো। যি সকলে এই Report দিছে সেই সকল মোৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ। মই আশা কৰো যিটো Estimate Committee আছে, Public work Committee আছে সেইটো সময়ে সময়ে বদলাই নাথাকি Permanent কৰিব লাগে। এই Report ৰ কাৰণে যি সকল unknown লোকে সহায় কৰিছে তেখেতসকলো মোৰ ধন্যবাদৰ পাত্ৰ। আমাৰ সদনত এটা Resolution লৈ এই Committee টো Permanent কৰিব লাগে। মই চাপ্ৰাচী peon আদি বেছি নিচিনো কিন্তু ডেকা এগৰাকী অফিচাৰ আছে হাজৰীকা, তেখেতে অলপ চিন্তা কৰে যেন পাইছো। তেখেতৰ লগত মই কথা হৈছো। তাৰ আগৰ বিলাকে কিন্তু নিজৰ ভতিজাক, পুতেক, ভায়েকক কামত ললে, দেশৰ Employment ৰ কাৰণে একো চিন্তা নকৰিলে। আকৌ দেখা যায় Higher Stage ত অসমীয়া অফিচাৰ শতকৰা খেনোত ৩ জন খেনোত ৪ জনহে আছে। এনেকি Class IV ৰ মানুহো অসমীয়া নহয়। আমাৰ দেশত কমিনিষ্ট হলেই নহব মানুহক সুবিধা কৰি দিব পাৰিব

লাগিব। তেহে কমিনিষ্ট। মোৰ constituency ত কিছুমান communist মানুহ আছে। সেই সকলো বিলাক আমাৰ ঘৰলৈ অহা যোৱা কৰি থাকে, বাততো মাতে আৰু ঘৰত আহি সকাম নিকামো থায়। সেই সকলে কিন্তু নিৰ্ব্বাচনত মোকেই ভোট দিলে। মই কও কমিনিষ্ট যদি কৰিব লাগে আমাৰ চৰকাৰেই কৰিব। কথাটো হৈছে

"গৰগয়া মিটিবৰ ভাও
মুখেৰে কয় থাক থাক
ভৰিৰে ঠেলে নাও ॥"

আমাৰ কমিনিষ্ট বিলাক এনেকুৱাই বুলি মই ভাবো। Employment ৰ কথাত আমাৰ permenently চকু নিদিয়ে। এই বিলাক cell কৰক Resolution কৰক। বেলেগ বেলেগ দিলে নেতৃস্থানীয় লোকেও এইটো কথা সমৰ্থন কৰিব। This should be a commity of the House so that the powers and privileges of the House may be del-igaled to the committee. আশা কৰো আমাৰ perliamentary Affairs ৰ মন্ত্ৰীয়ে এইটো কাম কৰিব।

এতিয়া কথা হৈছে এই Employment Review Committee ত কৈ আহিছে যে Fi. C. I ত ৪০ জন মানুহক Appointment দিলে। ২৫০ টকাৰ পৰা ৭০০ টকাৰ ভিতৰত। ইয়াৰ vacency ওলাল ইয়াত কিন্তু Advertise কৰিলে সিন্দি, বৰোদা আদিত। তাৰ পৰা মানুহ আনি আমাৰ ইয়াত Appointment দিছে General Manager Chief Executive officer personal officer আদি ডাঙৰ post ত। কিয় আমাৰ দেশত মানুহ নাই নেকি? কেইজন অসমৰ মানুহক Fi. C. I ত চাকৰী দিছে, কেইজনক Refinery ত দিছে, নামৰূপ Furtilizer ত অসমৰ মানুহ কেইজন আছে। আমাৰ অসমত কিমান A.C.S. officer আছে? সেই মানুহ খিনিয়ে আঠু লৈ থকাৰ বাবে তেওঁলোকলৈ কোনেও care নকৰে। সেই কাৰণেই আমাৰ ঘৰোৱা মানুহে চাকৰি নাপায়। সেই কাৰণেই মই চৰকাৰক এইটো কথাৰ কাৰণে অনুৰোধ কৰো যে ১ বছৰৰ ভিতৰতে General Manager বা personal অফিচাৰ আদি পদত আমাৰ মানুহ লব লাগে। আজি বেই দিনমান আগতে "হিন্দু-

স্থান ষ্টেণ্ডাৰত'' এটা কথা প্ৰকাশ পাইছিল। কথাটো হৈছে এয়ে যে দুৰ্গাপুৰৰ পৰা এজন বঙ্গালী মানুহ অতৰাই দিছিল কিন্তু আমাৰ ইয়াত বঙ্গালী নহলে নচলে সেই কাৰণেই দুৰ্গাপুৰৰ পৰা Sen নামৰ এজনক আনি পাতি দিলে। এইটো অৱশ্যে বেচি দিনৰ ঘটনা নহয়। সেই কাৰণেই মই কও যে আমাৰ Employment Revew Committee টো permanent হব লাগে আৰু তাত সৰু সৰু cell থাকিব লাগে। এইবিলাক ত Industry Liaison অফি· চাৰ দিব লাগে। অধ্যক্ষ মহোদয়, আমাৰ Furtilizer Corporation ৰ Expansion ৰ কাৰণে ৪০ কোটি টকা দিছিল। তাৰ দ্বাৰা কিমান উন্নতি হল বা তাত আমাৰ কিমান মানুহক চাকৰি দিলে। সেই কাৰণে আমাৰ Employment টো casual হিচাবে নাৰাখি permenant হিচাপে ৰাখিব লাগে। আমাৰ ডেকাসকল আজি দিকভ্ৰান্ত হৈ পৰিছে। শিক্ষা দিক্ষা লৈছে কিন্তু চাকৰী পোৱা নাই। তেনেকুৱা মোৰো কিছুমান ভাগিন ভতিজা আছে "যিবিলাকে মোক আহি কয় "দদাইদেও, মোমাই দেউ আমাৰ over age হলহি আমি এতিয়া কি কৰো আপোনালোকে কেৱল বক্তৃতাহে দিব পাৰে। আমাৰ কাৰণে একো কৰিব নোৱাৰে" "সেইকাৰণেই মই কৈছো যে তোমালোক পিচ দুৱাৰেদি যোৱা— তেতিয়াহে কিবা এটা হব পাৰে" কাৰণ এনেদৰে নকৰিলে চাকৰি নাপায়।

এতিয়া কথা হৈছে আমি বাজেট খন ইমান লৰালৰিকৈ সমালোচনা কৰিব নোৱাৰো বাজেটত কেইবাটাও tax ৰ proposal দিছে; সেই কেইটা ভাল হোৱা নাই আমাৰ এই Audit Report বিলাকত আৰু এটা কথা দেখা গৈছে সেইটো হৈছে আমাৰ Auditor বিলাকে চৰকাৰী বিভাগ বিলাক তন্ন তন্ন কৈ চাই—কিন্তু corporation বিলাক চাব নোৱাৰে। এই corporation বিলাক পাতিছে সহজে পইচা খাবলৈ। এইবিলাকত আমাৰ লোকচান হৈছে।

আমাৰ শ্ৰীকামাখ্যা ত্ৰীপাঠী দেৱে কিছুমান বস্তুৰ ওপৰত tax লগাইছে। এইটো কিন্তু বৰ অন্যায় কাৰ্য্য হৈছে কিয়নো তাৰ টাঙুন দুখীয়া খেতিয়ক মানুহ খিনিৰ মূৰতহে পৰিব। sales tax, wood craft আদিত tax লগাওক কিন্তু তেখেতে যি কেইটা টেক্স লগাইছে তাৰ দ্বাৰা তেখেতে হাতৰ কুঠাৰ ভৰিতহে মাৰিছে। মই মন্ত্ৰী সকলক এই report (এখন বুকলেট ডাঙি ধৰি) পঢ়ি চাওক—এই corporation বিলাকে আমাৰ কিমান পইচা বছৰী নষ্ট কৰিব

লাগিছে। এইদৰে অপচয় কৰি থাকিলে কি আমাৰ উন্নয়ন মূলক কাম হব। আজি মই দাবী কৰিছো আমাৰ ত্ৰীপাঠী দেবে এই কথাৰ জবাব দিব লাগিব। আমাৰ যিবিলাক draw back আছে—Any dealer—, a dealer Paying tax on the purchase of raw materials for manufacture of goods for sale shall be granted a draw back set off and the amount of tax so paid subject to the condition. এইটোৰ উদ্দেশ্য ভাল। Intentment ভাল। আমাৰ অসমীয়া মানুহ খিনিয়ে লোকেল বস্তু কিমান ব্যৱহাৰ কৰিছে। এই বিলাক draw back কিয় কৰিছে নাজানো। Black list ত লাখ লাখ টকা খৰচ কৰিছে। সিদিনা glibly মূখ্য মন্ত্ৰীয়ে কৈছিল যে বিৰলা গোষ্ঠিয়ে বোলে পইছা দিছে কিন্তু বিৰলায় যাতে বান্দৰে শিয়ালক কলৰ বাকলি দিয়াৰ নিচিনা নকৰে। বান্দৰ কলৰ পাচি লৈ গছৰ ওপৰত উঠিল আৰু কল খাই বাকলি পেলাই দি কয় সখি গৈছে কিন্তু শিয়ালে কলৰ বাকলিহে পায়। সেইদৰে আমাৰ চৰকাৰক বিৰলায় কলৰ ঠাইত কলৰ বাকলি নিদিলেই ভাল পাও।

(A Voice : Election ৰ সময়ত পইচা দিছে)

আপোনালোককো দিছে সকলোকে হাতৰ মুঠিত ৰাখিছে। এতিয়া যদি plywood mill কৰা যায় তেনেহলে 30% Sur charge ত পইচা উলাব। এবাৰ মই নিজলিখাম্পাক সুধিছিলো যে তোমালোকৰ তাত কি কৰিছে Licence দিছা নেকি ?

Shri Kamakhya Prasad Tripathi :

Subject to correction Small scale Industry ক দিয়া হৈছে।

Shri Debeswar Sarmah :

I am thankful, মই বৈৰী ভাৱে কোৱা নাই; যদি সৰু সৰু শিল্পই সুবিধা পাই ভালেই কথা; কিন্তু Hard Bord নিচিনা বৃহৎ শিল্পই ৮০ লাখ টকা পাইছে সেইটোহে দুখৰ কথা;

(সময়ৰ সংকেত)

আমাৰ Tripathi ডাঙৰীয়াই কৈছে যে Agriculture Deptt ৰ পৰা লাভ হয়, কিন্তু আমাৰ Agriculture Deptt য়ে গাৱে গাৱে গৈ ঘৰে ঘৰে

গৈ যি তথ্য আনিছে এই সকলোবোৰ false statement এইবিলাক জানি মেলি মই grane charge আনিছো ।

এইটো বৰ দৰকাৰী কথা, আৰু ইয়াৰ পৰিনতি কি হয় ! Statistics Deptt ক survey কৰিবলৈ নিদি Agriculture Deptt য়ে নিজেই survey কৰি Report দিয়ে ফলত ইয়াৰ পৰিনতি কি হ'ল

In the interest of the Department itself, my request is that Department should not make a survey and that report is not acceptatable in the face of this evidence. Therefore, I request that persons in-charge of the Agriculture Department should request the Department of Economics and Statistics to make a survey of all agricultural matters. Thank you, Sir.

(The Speaker left the chamber and the Deputy Speaker took the chair.)

Shri Atul Chandra Goswami :

অধ্যক্ষ মহোদয়, মই বাজেট বক্তৃতাটো পঢ়িছো আৰু যোৱা ৩ বছৰে দেখিছো যে একে সুৰৰ বাজেট দিছে অথাৎ ঘাটি বাজেট দিছে আৰু কিয় ঘাটি বাজেট দিছে তাৰ কাৰণ দিছে যে বহুত কৰ অনাদায় হৈ আছে। এই প্ৰসঙ্গত মই কওঁ যে আমাৰ মন্ত্ৰী সকলে অন্তত: উপদেশ দিয়াতকৈ উদাহৰণ দেখুৱাই ভাল । মোৰ হাতত এটা হিচাপ আছে ১৯৬৬ চনৰ পৰা ১৯৬৮ চনলৈকে আমাৰ মন্ত্ৰী সকলে কিমান over draw and double draw কৰিছে। তাৰ ভিতৰত বিত্ত মন্ত্ৰী top the list. তেওঁ ১৯৬৬-৬৯ চনৰ ভিতৰত ৫ হেজাৰ টকা হয় বেছি draw কৰিছে নহয় দুবাৰ draw কৰিছে ; ৰাজহমন্ত্ৰীয়ে ১৯৫৮–১৯৬৮ চনৰ ভিতৰত ১৪৫৯.৫০ পয়ছা ; শ্ৰীটেৰনে ১৯৬৬-৬৯ চনৰ ভিতৰত ১৫০০, টকা শ্ৰীদেবেন হাজৰীকাই ১৯৬৭-৬৯ চনত ৪৪০০, টকালৈ দ্বিতীয় হৈছে ; শ্ৰীৰমেশ বৰুৱাই ১৯৬৭-৬৮ চনত ২২০০, টকা ; শ্ৰীলক্ষ্মী গোস্বামীয়ে ১৯৬৮ চনত ৩০০, টকা , শ্ৰীবিশ্বদেৱ শৰ্ম্মাই ১৯৬৮ চনত এহেজাৰ টকা ; শ্ৰীকৰ্মকাৰে ১৯৬৮ চনত ৩১০০, টকা ; শ্ৰীটেৰঙে ২৫০০, টকা, শ্ৰীদত্তই ১৮৫৩, টকা , শ্ৰীহাগজেৰে

১৫৩৬, টক, শ্ৰীআলতাফ হুচেইন চাহাবে ১৫০০, টকা ; শ্ৰীচৈয়দ আহমদ চাহাব এহেজাৰ ; শ্ৰীযাংলুৰাই ১৯৬০ চনত এহেজাৰ টকা draw কৰিলে আজিও আদায় কৰা নাই।

Shri Kamakhya Prasad Tripathy :

এইবোৰ কৰ পৰা পাইছে ?

Shri Atul Chandra Goswami :

A.G. অফিচৰ পৰা পাইছো, লাগে যদি নম্বৰটো দিব পাৰো ।

Shri Dulal Chandra Barua :

আপোনালোক কিমান মিতব্যয়ী তাৰ প্ৰতিচ্ছবি প্ৰকাশ পাইছে ।

Shri Mohendra Mohan Choudhury :

বেচি draw কৰিলে কাটি নিয়ে ।

Shri Atul Chandra Goswami :

আপুনী Speaker থাকোতেই over draw কৰিছিল। এতিয়াও দিয়া নাই। আপোনালোক কিমান নিৰাসাক্ত তাৰ কথাহে কৈছো । লোকৰ পৰা অনাদায় কৰ কেনেকৈ আদায় কৰিব ।

Shri Mohandra Mohan Choudhury :

মেমোটো দিলে ভাল হয়।

Shri Atul Chandra Goswami :

দিম। No. GA/133 dated 23 rd April. 1970. এই টকা মন্ত্ৰীসকলে over draw বা double draw কৰিছে। ১৯৬৮ চনৰ পৰা ১৯৬৯ চনলৈ মুঠ ২৭,৩৪৮.৫৮ পয়ছা draw কৰিছে। আইন মন্ত্ৰী আৰু খাদী মন্ত্ৰীৰ বাহিৰে সকলো আছে ।

এতিয়া কথা হৈছে ৪১ কোটি টকাৰ ঘাটি বাজেট দাঙি ধৰিছে । আচলতে ঘাটি বাজেট হব নোৱাৰে যদি অনাদায় কৰ আদায় কৰিলেহেতেন ঋণ আদি আদায় কৰিলেহেতেন। আমাৰ প্ৰসাশনীয় খৰচ গোটেই ভাৰতবৰ্ষৰ ভিতৰতে, নগালেণ্ড আৰু জমু-কাশ্মীৰ বাদে, বেচি আমাৰ প্ৰদেশখন সীমান্তবৰ্তী আৰু শত্ৰু ৰাষ্ট্ৰই বেচি আছে। নগালেণ্ড আৰু মিজো পাহাৰত শান্তি প্ৰতিস্থাৰ দায়িত্ব

আৰু খৰচ কেন্দ্ৰীয় চৰকাৰে দিব লাগে। কিন্তু কেন্দ্ৰৰ পৰা আনিব পৰা নাই কাৰণে নিজে খৰচ কৰি আছে। আনহাতে কয় আমাৰ জনমুৰী আয় বাঢ়িছে। কিন্তু তাৰ ভিতৰত বিৰলা সমষ্টিৰ শিল্প প্ৰতিষ্ঠানবোৰ থকাৰ বাবেহে বাঢ়িছে। তাৰ পৰাই আমাৰ আয় বাঢ়িছে বুলিলে ভুল হব। এই হিচাবত আমাৰ স্থান ষষ্ঠ। পুলিচ বাজেটৰ খৰচৰ বেলিকা আমাৰ স্থান দ্বিতীয়। পঞ্জাবৰ অৱশ্যে প্ৰথম যদিও জন সংখ্যা কম। ব্যয়ৰ বেলিকা আমাৰ স্থান ভাৰতৰ ভিতৰত একাদশ। কিন্তু আয় ব্যয় একে লগে ধৰিলে আমাৰ স্থান হয় চতুৰ্দশ।

শিল্প উদ্যোগৰ জৰিয়তে আমাৰ দেশৰ নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিছিল। কিন্তু সেই বিষয়ত কৃতকাৰ্য্য হোৱা নাই। ৰাজ্য সমূহে যোৱা ১০ বছৰত শিল্প প্ৰতিষ্ঠাৰ কাৰণে যিবোৰ লাইচেঞ্চ দিলে তাৰ তালিকা তলত দিয়া ধৰণে -যেনে,

ৰাজ্যৰ নাম যেনে 'ক' গ্ৰুপত—

মহাৰাষ্ট্ৰৰ নামত ২৭.৩৭, পশ্চিমবঙ্গত ১৬'৪৭, গুজৰাতট ৮.৮৯, তামিলনাডুত ৯'৬৯, কেৰেলাত ৩.৬২ মহীশুৰত ৩'২৬, বিহাৰত ৫'১৬ লাইচেঞ্চ শতকৰা পৰিমানত পাইছিল। আৰু 'খ' গ্ৰুপত অন্ধ্ৰপ্ৰদেশৰ নামত ৩'৩২ অসমত ০'৯৪ মধ্যপ্ৰদেশত ২'৪৬ উৰিষ্যাত ১'১৮, পঞ্জাবত ৬'৩২, ৰাজস্থানত ১'৭৫ উত্তৰ প্ৰদেশত ৬'৭১ আৰু দিল্লীত ২'০৯ লাইচেঞ্চ দিয়া হৈছিল।

কেন্দ্ৰীয় শাসিত দিল্লীয়ে শতকৰা ২'০৯ ভাগ লাইচেঞ্চ পাবলৈ সক্ষম হ'ল, কিন্তু অসমৰ ভাগ্যত মাত্ৰ ০'৯৪ ভাগহে পৰিল। তাৰে শতকৰা ৫১'৩ ভাগো কাৰ্য্যত প্ৰতিফলিত নহল। চাহশিল্প, কয়লা শিল্প, ভেনেষ্টা শিল্পৰ পৰা কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৫0 কোটি টকা নিয়ে আমি পাওঁ ২০ কোটি মান। কেইদিন মান আগতে আমাৰ কেইজন মান সদস্যক eforestation Scheme চাবৰ কাৰণে পঠাইছিল। Upper Assam ৰ দহিৰ ৰিজাৰ্ভ Assam Railway. Trading ক লিজ, দিয়া হল। হলং, মেকাই গছ কাটি নাইকীয়া কৰিলে, কিন্তু অসম চৰকাৰে ২ টকা C.F.T. ত পাইছে। কিন্তু সেইখিনি কাঠকে বিৰলাই ৫৷৷. টকা C.F.T. তত বিক্ৰী কৰিছে। আমাৰ ইয়াত contractor ক quota বান্ধি দিছে ১'৫৫ পইচা প্ৰত্যক C.F.T. ত। সেই পৰিমানত যদি কাঠ দিব নোৱাৰে, তেন্তে জৰিমনা ভৰিব লাগে। আমাৰ চৰকাৰে

হলং কাঠ বিক্ৰী কৰে ২ টকা C.F.T. তত, কিন্তু অন্য দেশে বিক্ৰী কৰে প্ৰতি বৰ্গফুটত ৫।।' টকা। এই ধৰণে বিৰলা গোষ্ঠিসকলক আমাৰ দেশখন শোষণ কৰিবলৈ সুবিধা দিয়া হৈছে। আমাৰ ইয়াত ৮ বৰ্গ মাইলত ৮ হাজাৰ ৰাজহ পায়, কিন্তু কেৰেলা চৰকাৰে ১ বৰ্গ মাইলত ৪ হাজাৰ ৰাজহ পায়। আমাৰ অসম প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ। বাহ বেত, ইকৰা, পাটি দৈ আদি আছে। ইমান বোৰ বস্তু থকা সত্বেও আমি ৰাজহ পাও ৮ কোটি টকা আৰু তাৰে খাজনা ৩ কোটি টকা। এইখিনি ওঠাওঁতে আমাৰ খৰচ হয় ১।।' কোটি টকা। ৩ কোটি খাজনা উঠাওঁতে ১।।' কোটি টকা যদি Administration ৰ খৰচ কৰিব লগা হয়, তেন্তে আমাৰ দেশৰ অৰ্থনীতি কিয় দুৰ্যোগপূৰ্ণ নহব।

বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত কৈছে কৃষি ভিত্তিত আমি অৰ্থনীতিৰ প্ৰতি চকু দিব লাগে, কৃষিৰ অৱস্থা ভালৈলৈ আহিছে। জলসিঞ্চনৰ ব্যৱস্থা নহলে ভাল কৃষি হব নোৱাৰে। যোৱা দহ বছৰে শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাৰ বাহিৰে অন্য জিলাত গড়ে ১০ ইঞ্চি বৰষুণ কমিছে। বৰষুণৰ মাত্ৰা কমি যোৱাৰ ফলত দহ বছৰৰ ভিতৰত কামৰূপ আৰু নগাওঁ জিলা অসমৰ শুকান অঞ্চলত পৰিণত হব। যেনেকৈ লামডিং হৈছে। তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে? মাটিৰ খাজনা ৫/৬ পইচাকৈ বঢ়াই কেনেকৈ কাৰচাজি কৰিছে? আগেয়ে বাৰী আছিল, কিন্তু এতিয়া ভাল বাৰী বেয়া বাৰী কৰিছে। ঠিক সেইদৰে জলাতক, বাওতলী, ফিৰিঙিতলী, শালিতলী, বিশেষতলী আদি কৰিছে। ফলত খেতিয়ক সকলে sur-charge দি থাকিব লগা হৈছে। তামোল দুজোপা ৰুলেই ভাল বাৰী হয় আৰু খাজনা বঢ়াই দিয়ে। মাটিৰ খাজনা দিয়ে গ্ৰাম্যাঞ্চলৰ উন্নতিৰ কাৰণে কিন্তু তাৰ return ত যিটো পাব লাগে, সেইটো পাইছে নে নাই? গান্ধী শতবাৰ্ষিকীৰ পিচত এই বাজেট খন আহিছে। কিন্তু অসমৰ গাওঁত পানী পায়খানাৰ Scheme যদি থাকিলেহেতেন, তেন্তে ভাল হ'লহেতেন। কিন্তু সেই Scheme নেদেখিলো। এইটো কৰিলে হাস্পাতালৰ যিটো দিগ্‌দাৰী হৈছে, সেইটোৰ পৰা কিছু সকাহ পালোহেতেন। পায়খানাৰ অভাৱত ৬০%ভাগ মানুহ Hook-worm আৰু ডিচেন্টাৰী বেমাৰ হৈছে। দুই এক ঠাইত পানী যোগানৰ ব্যৱস্থা কৰি দিছিল, কিন্তু এতিয়া কলং নদীৰ পানী খাই থাকিব লগা হৈছে। পানী যোগানৰ কোনো ব্যৱস্থা কৰা নাই। আমি এই বিধান সভাত

কৈছো যে কাছাৰ আৰু গোৱালপাৰা, এই ডুখন জিলা অসমৰ ভিতৰত আটাইতকৈ পিচপৰা। অকল এই ডুখন জিলা পিচপৰা আৰু বাকী বিলাক নহয় বুলি কোৱা হয়, তেন্তে গোটেই অসমৰ সামগ্ৰীক উন্নতি হব নোৱাৰে। এই ডুখন জিলা পিচপৰা অঞ্চল আৰু বাকী বিলাক নহয় বুলি কলে ভুল কৰা হব। ১৯৬১ চনৰ Census Report তাত ২২পৃষ্ঠাত লিখিছে নগাওঁ জিলাত এনে অৱস্থা হৈছে— ইয়াৰোপৰি আমাৰ নগাৱ জিলাখন খুব ঘনবসতি পূৰ্ণ। আমাৰ নগাৱ জিলাৰ প্ৰতি বৰ্গমাইলত ৫৫৯ জন মানুহে বাস কৰে। কিন্তু কামৰূপ জিলাত প্ৰতি বৰ্গমাইলত বাস কৰে মাত্ৰ ৫৪৮ জন। ইয়াৰ তুলনাত আমাৰ নগাৱ জিলাখন কামৰূপ জিলাতকৈও জনবসতিপূৰ্ণ। আমাৰ শিলঘাটত যি Jute mill স্থাপন কৰা হৈছে তাত এতিয়া পানীৰ অভাৱ হৈছে। এতিয়ালৈকে পাইপেৰে তালৈ পানী আনিব লাগিব। আজি বাজেটত যিখিনি টকা ধৰিছে— এইবিলাকৰ বিষয়ে পুনৰ আলোচনা কৰিহে আমাৰ মতামত দাঙি ধৰিম।

**Shri Abul Kasem** : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই ইমান কষ্টেৰে যি বাজেট দাঙি ধৰিছে তাৰ কাৰণে তেখেতক মই ধন্যবাদ জনাইছো। এই সন্দৰ্ভত যি সকলৰ ওপৰত কৰৰ হেচা পৰিছে এই বিষয়ে বিবেচনা কৰা হব।

আজি খেতিয়ক সকলৰ মাজত আৰু ডেকা সকলৰ মাজত নিবনুৱা সমস্যাই দেখা দিছে। আজি বিত্তমন্ত্ৰী ডাঙৰীয়াই যি কৰ কাটল লগাইছে ঘাটি পূৰণ কৰিবলৈ সেই কৰ কাটলৰ প্ৰায় $\frac{3}{4}$ ভাগ দুখীয়া শ্ৰেণীৰ ওপৰতে পৰিছে। আজি গাৱঁৰ খেতিয়কে যি সুবিধা পাব লাগে সেই বিলাক সুবিধাৰ পৰা বঞ্চিত হৈছে। আজি অন্যান্য ঠাইত দুখীয়া খেতিয়কক খাজনাৰ পৰা ৰেহাই দিয়া হৈছে কিন্তু আমাৰ ইয়াৰ খাজনা বঢ়াই দিয়া হৈছে। আমাৰ ইয়াত খাজনা কমোৱাতো দূৰৰ কথা এইবিলাক বঢ়াইহে দিয়া হৈছে। আজি একচনা মাটি ম্যাদি, কৰাৰ ক্ষেত্ৰত ৬ টকাৰ পৰা ৫০ টকালৈ কৰিছে। বোধকৰো এইবিলাকো আমাৰ দুখীয়া খেতিয়কৰ ওপৰতে পৰিছে। আজি দুখীয়া মানুহে এই ৫০ টকা Premium দি মাটি ম্যাদি কৰাটো সম্ভৱ নহয়। আজি আমাৰ খেতিয়ক সকলৰে দুৰ্ভাগ্য বুলি কব লাগিব। কাৰণ তেখেতসকলৰ যি খিনি প্ৰাপ্য আজি চৰকাৰৰ পৰা সেইখিনিও নাপায়। আজি

চৰকাৰৰ ফালৰ পৰা খেতিয়কক যি টকা দিয়া হয় তাৰ সুদো অতি বেচি।

দ্বিতীয়তে মই এটা কথাত চৰকাৰক অনুৰোধ কৰিব খোজো যে, চৰকাৰে আজি খেতিয়কৰ ওপৰত যি ৫ টকাৰ পৰা Premium ৫০ টকালৈ বঢ়াইছে অন্তত; এটা সুবিচাৰ কৰিহে এইটো বঢ়াব যাতে অকল দুখীয়া মানুহ খিনিৰেই ইয়াৰ ভুক্তভোগী নহয়।

তৃতীয়তে আজি আমাৰ শিক্ষিত ডেকা বিলাকৰ মাজত তোলপাৰ লাগিছে বিত্তমন্ত্ৰীয়ে তেখেতৰ বাজেট বক্তৃতাত গাৱে ভূঞে বহুত টকা দিয়াৰ কথা কৈছে। কিন্তু এই টকা আমাৰ গাৱে ভূৰেঁ নাপায়। আপোনালোকে ব্যৱস্থা কৰিব পাৰে -- কিন্তু সেইবিলাক আমাৰ গাৱৰ মানুহে পোৱাৰ কোনো আশা নাই। আলোচনাৰ সময়ত সদায়েই এনেকুৱা কথা কয় কিন্তু তাক ফলৱতী কৰাৰ সম্ভাৱনাহে খুব কম। আজি Employment পোৱাৰ ক্ষেত্ৰত সম্ভাৱনা আছে বুলি কৈছে, কিন্তু এই সম্ভাৱনা সম্ভাৱনা হৈয়েই থাকে। মই ১৯৬৭ চনৰ পৰাই এই সদনত বহিবলৈ অধিকাৰ পাইছো তেতিয়াৰ পৰা আমি কেৱল বাজেটত সম্ভাৱনাই দেখি আছো। আজি Employment ৰ ক্ষেত্ৰত বহুতো ব্যৱস্থাই হাতত লৈছে কিন্তু সকলো ব্যৱস্থা কাগজতে আছে। কমিটিৰ উপৰি কমিটি কৰে কিন্তু আমাৰ ডেকাই কতো সুবিধা নাপায়। চৰকাৰে কৈছে যে, আমাৰ ইয়াত Technical Graduates বহুত আছে আৰু তেওঁলোকক ঋণ দি Industry কৰিবলৈ সুবিধা দিব। আমাৰ নগাৱৰ কথাকে কব খোজো যে, আমাৰ ২০০ ডেকা লৰাই Hulles Shellers কাৰণে দৰখাস্ত কৰিছিল। তাৰ ভিতৰত মাত্ৰ ৪/৫ জন মানেহে পাইছে। ইয়াৰোপৰি বহুতো দুখীয়া মানুহৰ লৰাই Technical Education লৈছে। কিন্তু ২৫% capital নাথাকিলে এওঁলোকে চৰকাৰৰ পৰা কোনো Loan নাপায়। কিন্তু যি সকল শিক্ষিত হৈ আছে সেইসকলৰ কাৰণে Sinking fund খুলি Industry খুলিবৰ কাৰণে সুবিধা দিব লাগে।

Shri Biswadev Sarma : এইবোৰ Grant ইতিমধ্যে fundৰ পৰাই পাচ হৈ গৈছে।

Shri Abul Kasem : এইটো মই কব নোৱাৰো আৰু সেই কাৰণেই মই এই কথাটো উনুকিয়াইছো। আজি বাজেটত শিক্ষাৰ ক্ষেত্ৰত যি টকা ধৰা

হৈছে মাননীয় সদস্য শইকীয়াই কোৱাৰ দৰে গ্ৰাণ্টবিলাক সময়মতে নাপায় আৰু যিবিলাক পায়ো তাকো ভাল ভাৱে ব্যৱহাৰ কৰিব নোৱাৰে।

Shri Kamkhya Prosad Tripathy : টকা পালেও ব্যৱহাৰ নকৰে নেকি ?

Shri Abul Kasem : টকা নিয়াৰ পাচত Deptt এ কোনো খবৰ নোলোৱাৰ কাৰণেই এনেকুৱা হয়।

Mr. Deputy Speaker : মাননীয় সদস্যই অপব্যৱহাৰৰ কথা কৈছে।

Shri Abul kasem : কাৰণ আজি Elementary Education Board ৰ under ত যি L.P. School আছে তাৰ কোনো পৰিদৰ্শন নহয়। আনহাতে আজি এবছৰলৈকে Joint D. P. I. জনেই ইয়াৰ chairman ৰ function কৰি আছে। আজি এই Primary Education ৰ কাৰণে এজন মানুহৰ নাম Recomendation কৰিছিল কিন্তু ৮/৯ মাহেও ইয়াৰ কোনো কাম হোৱা নাই। আজি Elementary Education ৰ কি অৱস্থা হৈছে কৈ অন্ত কৰিব নোৱাৰি।

কাৰণ এজন D. P. I এ গোটেই অসমৰ শিক্ষা বিভাগৰ কাম কৰিব লগীয়া হোৱাটো বৰ দুখৰ কথা। এজনেই কৰিব পাৰি সচাঁ কিন্তু গোটেই অসমৰ কামটো এজনৰ ওপৰতেই জাপি দিয়াত এই শিক্ষা বিভাগত নানান বেমেজালিয়ে দেখা দিছে। সেই কাৰণে মই ভাবো যে অনতিপলমে D. P. I ৰ কাম কৰিবলৈ আন এজনক সুবিধা দিব লাগে।

(সময়ৰ সংকেট)

অধ্যক্ষ মহোদয় আমি কম সময় পাওঁ আৰু গোটেই session টোৰ ভিতৰত দুই এবাৰহে কওঁ। গতিকে আৰু দুই মিনিট সময় কবলৈ দিব লাগে।

মই এতিয়া Apex Marketing ৰ কথা কম। যেতিয়া ৰাইজে চৰকাৰক ধান দিবলৈ বিচাৰিছিল তেতিয়া Apex marketing এ কলে যে এতিয়া আমাৰ টকা নাই, আমি ধান লব নোৱাৰোঁ। পাছত উপায়হীন হৈ বেপাৰী বিলাকে ৰাইজৰ পৰা মোনে ১২, টকা দৰত কিনি ১৬, টকা কৰি বেচিবলৈ ধৰিলে। কিন্তু সেই সময়ত Apex marketing এ

মনে মনে ধান কিনিলে আৰু পাছত বজাৰত আকৌ জন সাধাৰনক ৩০, টকা মোনে বেচিলে। এতিয়াও হাজোত ধানৰ দাম ৩০, টকা হৈছে। তাৰ কাৰণ হ'ল Apex marketing এ সেই সময়ত ধান নিকিনাৰ ভাও-জুৰি আকৌ আজি সেই দুখীয়া খেতিয়ক সকলক শোষিত দামত বিক্ৰি কৰিছে। এইটো বৰ অন্যায় হৈছে। যেতিয়া খেতিয়কৰ হাতত ধান আছিল তেতিয়া ধানৰ দাম মোনে ২২, কৰি দিছিল। কিন্তু আজি খেতিয়কৰ ধান নাই। তেনে ক্ষেত্ৰত চৰকাৰে কিয় ২৫, টকাত মোনে নিদি ৩০, টকা কৰিছে? সেই কাৰণে মই কৈছোঁ যে আজি ধান-চাউলৰ দাম বাঢ়িছে কমাব লাগে। চৰকাৰৰ তৰফৰ পৰা যি সকলে ধান কিনিব পাৰিছে তেওঁলোকে যাতে চৰকাৰৰ পৰা সুলভ-মূল্যত ধান পায়, তাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে ৰাইজৰো সুবিধা হয় আৰু চৰকাৰৰো লোকচান নহয় আৰু সকলো ফালৰ পৰাই ভাল হয়।

(সময়ৰ সঙ্কেঁত)

অধ্যক্ষ মহোদয় মোক আৰু দুই মিনিট সময় দিব; মই আমাৰ Industry আৰু Hospital ৰ কথা কৈয়েই শেষ কৰিম।

আমাৰ নগাৱঁৰ কিছুমান সমষ্টিত ১৯৬৮-৬৯ চনতেই কিছুমান Scheme কৰা হল যে ১৯৬৯-৭০ চনত বিশেষকৈ লাহৰী ঘাট আৰু মৈৰাবাৰী অঞ্চলত Power ৰ কাম চলাব। কিন্তু আজি ১৯৭০-৭১ চন সোমালহি; আজিলৈকে তাৰ কাম আৰম্ভ নহল। এতিয়া আমাৰ চৰকাৰ আৰু সদস্যসকলক জনসাধাৰণে মিছলীয়া বুলি কবলৈ ধৰিছে। কাৰণ ১৯৬৯-৭০ চনতে Electricty দিয়াৰ কথা আছিল; কিন্তু আজিলৈকে তাত Electricity হোৱাৰ লক্ষনেই দেখা নগল। সেই কাৰণে মই কৈছোঁ যে আমাৰ চৰকাৰে যি বিলাক Industry বৰ্ত্তমান বহুৱাবলৈ ধৰিছে, সেই বিলাক অতি সোনকালে কৰিবলৈ Step লব লাগে।

শেষত কওঁযে আমাৰ নগাওঁ Civil Hospital ত শতকৰা ৭০ জন মানুহৰ চিকিৎসাৰ কাৰণে ঔষধ পোৱা নাযায়। তাৈল বহুতো বেমাৰী মানুহ আহে আৰু Hospital ত ঔষধ নাই বুলি বাহিৰত কিনিবলৈ Prescription দিয়ে। আনকি 'চেলাইনৰ" কাম বিলাকতো বাহিৰত কিনিবলৈহে কয়। ইয়াৰ কাৰণ কি বুজিব নোৱাৰিলো। মই নিজে এদিন এজন বেমাৰীৰ লগত নগাওঁ

Civil Hospital লৈ গৈছিলোঁ। তাত এজন বেমাৰীক 'চেলাইন' দি ৰখাৰ পাচত চিকিৎসাৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল। তাত ডাক্তৰ জনে কলে যে ইয়াত "চেলাইনৰ" ঔষধ নাই আৰু সেই ঔষধটো কিনিব লাগিব। যদি "চেলাইনৰ" কাৰণে টকা নাই; তেন্তে ইয়াত চিকিৎসাও নাই। মই আচৰিত হলোঁ যে অন্যান্য চিকিৎসালয়বটো কথাই নাই নগাৱঁৰ একমাত্ৰ চিকিৎসাৰ কেন্দ্ৰ Civil Hospital; তাত এই বিলাক ব্যৱস্থা নথকাতো বৰ দুখৰ কথা। সেই মানুহজনে যদি ডাক্তৰৰ কাৰণে ৩০, টকা যোগাৰ কৰিব পাৰিলে হেতেন তেন্তে তেওঁৰ ভাল চিকিৎসা হ'লহেতেন। কিন্তু বৰ দুখৰ কথা যে Civil Hospital টো এই বিলাক ব্যৱস্থা নাই। সেই কাৰণে মই ভাবো আমাৰ যি সকল নেতাই প্ৰশাসনীয় কাম চলাই আছে, তেখেত সকলে যদি খেতিয়ক সকলক দেশৰ ধৰনী স্বৰূপ বুলি ভাবে আৰু শিক্ষিত লোক সকলক যদি দেশৰ ধৰনীস্বৰূপ বুলি ভাবে তেন্তে এখেত সকলে এই বিলাকৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিব বুলি আশা কৰি মোৰ বক্তৃতা সামৰনি মাৰিলোঁ।

Shri Shiba Prasad Baidya : মাননীয় উপাধ্যক্ষ মহোদয়, আমি এই বিধান সভায় নূতন ভাবে নির্বাচিত হয়েছি। কিন্তু এরই মধ্যে মাননীয় সদস্যবৃন্দের নিকট থেকে যে সুযোগ ও সহায়তা পেয়েছি তা ভুলবার নয় এবং ভবিষ্যতে ও এই ভাবে সর্ব প্রকারের আন্তরিক সহায়তা আশা করি।

বিত্তমন্ত্রী মহোদয় যে ঘাটতি বাজেট পেশ করেছেন, আমি মনে করি বর্তমান পরিস্থিতিতে এ দাড়ী তিনির আর কোন উপায় ছিল না। সামগ্রিক ভাবে সময়াভাবে আমি বাজেটে বক্তৃতা বিশ্লেষণ করে দেখতে পারি নাই। তাই বিশেষ ভাবে আমি আমার জিলা তথা সমষ্টির কথাই বলব। আজ সবাইকে স্বীকার করতে হবে যে কাছার জিলা এবং গোয়ালপাড়া জিলা উন্নয়নে অনগ্রসর। এই কথা অনেক মাননীয় সদস্যই উত্থাপন করেছেন। তার প্রধান কারণ হলো যোগাযোগ ব্যবস্থা। সমগ্র কাছাড় জিলার যোগাযোগ ব্যবস্থা আজ সুদীর্ঘ ২২ বৎসরে ও উন্নত হয় নাই। তার ফলে ব্যাবসা বাণিজ্য ইত্যাদির উন্নতি এই জিলায় হয় নাই এবং জিনিষ পত্রের অভাব সামগ্রিক ভাবে এই জিলায় প্রতিপন্ন হয়। কিছু সংখ্যক ব্যবসায়ীয়ে এই সুযোগে কালো বাজারের সৃষ্টি করে অথবা এই জিলায় সন্তাসর সৃষ্টি করে। গরীব জনসাধারনের তখন খাদ্য

সংগ্রহ করা অত্যন্ত দুবাহ হয়ে পড়ে। জল পথেও যোগাযোগের কোন ব্যবস্থা নাই। Rail পথও কোন কোন সময় অচল হয়ে পরে। তাই সরকারের সর্বগ্রে প্রয়োজনে এই জিলার আর্থিক উন্নতি সাধন এবং যোগাযোগ ব্যবস্থার উন্নতি বিধান। তাই আমি সরকারকে অনুরোধ করবো যেন অনতি বিলম্বে এই সমস্ত বিষয়ের দিকে নজর দেন।

তার পর কাছারে শিল্প তথা শিল্পোন্নয়ন প্রয়োজন। কাছাড় জিলায় কাচা মালের অভাব নেই। কিন্ত তৎসত্ত্বেও যেখানে শিল্পের উন্নতি বা প্রসার হয় নাই। কাছাড়ের একমাত্র শিল্প চা শিল্প। কিন্তু সেই শিল্পের অবস্থা স্বাধীনতার পূবে যা ছিল বর্ত্তমান তার থেকেও অনেক খারাপ। কাছারের চা শিল্পোর প্রায় ৫০ হাজার শ্রমিক কাজ করেন। কিন্তু তারও সংকোচন চলচে। কাছাড়ের চা শিল্পের অর্থনৈতিক অবস্থারও তাই অবনতি ঘটছে। কাছাড়ের অর্থনীতি এই চা শিল্পের উপায় কর্ত্তটা নির্ভরশীল তা একটা উদাহরণ থেকেই স্পষ্টতর হবে। ১৯৫২ সনে যখন কাছারের চাশিল্পে সংকত দেখা দেয় এবং বাগিচাগুলি বন্ধ হয়ে যায় তখন কাছারের তিনটি মহর জিলার করিমগঞ্জ ও হাইলাকান্দির প্রায় সবকটি দোকানগাট বন্ধ হয়ে যায়। এই শিল্পকে সরকার রক্ষন না করলে সমগ্র কাছাড়ের আর্থিক অবস্থারে আরও অবনতি ঘটবে। সেই দিকে আমি এয়া মন্ত্রী মহোদয়কে দৃষ্টি দিতে বলবো। এই জিলার বাগান গুলিতে শ্রমিকদের ও সংকোচন তথা কমিচনে দেওয়া হচ্ছে। কেউ মারা যাচ্ছে কেউ অবসর গ্রহণ করছে। শ্রমিকদের মধ্য বিয়ে হলেও কেউ অন্যত্র হচ্ছে। এই জন্যে তাদের অসুবিধা হচ্ছে। কারণ প্রতি একজন শ্রমিকের পরিবারে প্রায় ৫/৬ জন লোক থাকে। একজন শ্রমিকের পক্ষে ৫/৬ জনের অন্নসংস্থান প্রায় অসম্ভব হয়ে পড়ে। তাই সরকার যেন উপযুক্ত ব্যবস্থা করে এই শ্রমিকদের দূরবস্থা দূর করেন। বেকার যুবক দেরকে এক শ্রেণীর লোক কুপথে পরিচালিত করছে। এবং তার ফলে দেশে নানা অশান্তি দেখা দিছে। আশা করি সরকার আইন শৃঙ্খলা রক্ষার বিষয়ে দৃষ্টি দিবেন। কাছাড়ের গ্রামাঞ্চলেও সমস্যা আছে। তাহলো কৃষকদের মধ্যেও বেকার সমস্যা আছে। শিক্ষিত বেকার আছেই, অশিক্ষিত বেকারের সংখ্যাও বেড়েছে। সেই দিকেও যেন সরকার দৃষ্টি দেন। কাছাড়ের শিল্পোন্নয়ন না করলে এই সমস্ত ব্যবস্থার উন্নতি সম্ভব নয়। কাছাড় Ply wood Mill, Sugar Mlil ইত্যাদি

স্থাপন না করলে কাছাড়ের শিল্পের এবং বেকার সমস্যা দূর হবেন না। বেকার সমস্যা যে দ্রুত গতিতে বাড়ছে তা রোধ করবে কে? সরকার যেন এই দিকে দৃষ্টি রাখেন। শিখিত, অশিক্ষিত বেকারদের একশ্রেণীর লোক বিপথে পরিচালিত করছে। সেই বেকার যুবকদেরকে ভাল সুযোগ নাদিলে সরকার ক্ষতি গ্রস্থ হবেন। কৃষির সমস্যা কাছাড়ে কোন দিনই ছিল না। আজ সেখানেই সমস্যা দেখা দিয়েছে। হতে পরে পূর্ব পাকিস্থান থেকে উদ্বাস্তু সথাগমের জন্য। কিন্তু এটাই একমাত্র কারণ নয়। রাস্তাঘাটের এবং E.&.D. র বাটের জন্য খরবাড়ী নির্ম্মানের জন্য কৃষিযোগ্য জমির যথেষ্ট সংকোচন হচ্ছে। যে কৃষকের প্রায় ১০ বিঘা ছিল সংকোচনের ফলে তা প্রায় ৩/৪ বিঘায় এসে ঠেকেছে। তাই কৃষকদের সমস্যার সমাধান না করলে কাছার বাসী চাউলের হাহাকারে ভুগবে। কাছাড়ের আর একটা সমস্যা বন্যা। বন্যায় জমি উঠিন্না হয়। ভাল নিস্কাচনের জন্য চরকারের যেন Sluice gate E.D: বিভাগ যেন বান্ধ ইত্যাদি নিম্মান করে কৃষককে জমি জলমগ্ন হওয়ার হাত থেকে বাচান। তাই আমি E.D মন্ত্রী মহোদয় কে অনুরোধ করবো যেন এই বিষয়ে যেন তিনি দৃষ্টি দেন।

তারপর আমি যে জয়গা অর্থাৎ ধলাই Constituency থেকে নির্ব্বাচিত হৈয়েছি সেই সমষ্টি অত্যন্ত অনুন্নত। ভারতের মধ্যে যেমন আসাম সবচেয়ে বেশী অনুন্নত, আসাম প্রদেশর মধ্যে তেমন কাছাড়, গোয়ালপাড়া ইত্যাদি জিলা ঠিক তেমন ভাবে কাছার জিলার মধ্যে এই ধলাই সমষ্টি অনুন্নত। L.P. স্কুল গুলির বেড়া নাই, ঘরের চালা নেই। তার ফলে ছেলেমেয়েদের শিক্ষার উন্নতি হচ্ছেনা। তাই সরকার যেন Building grant ইত্যাদির ব্যবস্থা করেন। Hospital এর অত্যন্ত অভাব। তার ফলে জনসাধারণের ঔষধ রোগাদির বিষয়ে ভুগছে। এই সমষ্টির ১০/১২ মাইলের মধ্যে ভাল রাস্তাঘাট নেই। সাধারণ পায়েহাঠা রাস্তা দিয়েই তারাচলা ফেরা করছে। তাই সরকার গ্রামের দুভাগ্য মানুষের জন্যও রাস্তাঘাট নিস্মান করেন। নাহলে এই অঞ্চলের জনসাধারণের মনে একটা বিকার আসবে যে সরকার তাদের প্রতি কিছুই করলেন না। তাই আমি প্রত্যেক মাননীয় মন্ত্রী মহোদয় গন কে অনুরোধ করবো যেন এই অঞ্চলের কিছু উন্নতি সাধন করেন। তাতে তারাও বুঝতে পারবে যে তারাও আসামের নাগরিক।

আর একটা কথা বলবো। সরকারের বিভিন্ন বিভাগের মধ্যে co-

co-ordition প্রায় নাই। উধারবলে Electrification এর কাজ আরম্ভ হয়েছে। কিন্তু কাজ আরম্ভ হয়ে আবার বন্ধ হয়েছে। ১৯70 ইংরাজীর মার্চ মাসেই রাস্তা নির্মানের কাজ শেষ হওয়ার কথা। কি April এর ১০।১২ তারিখ পর্যন্তও তা হল না। তার কারণ P.W.D. বিভাগ থেকে পোঁতা Electric post গুলি উপরে ফেলা হয়। অনুসন্ধানীয়ে জানা যায় ইহা করার পূর্বে State Electricity Board P.W.D. বিভাগের অনুমতি নেইনী। সরকারকে আমি তাই এই অঞ্চলের রাস্তাঘাট এবং Electrification ইত্যাদির বিষয়ে দৃষ্টি দিতে বলবো।

আসাম খনিজ তেলের জন্য প্রসিদ্ধ। তার উন্নতির জন্য আন্দোলন ও হয়েছে। গ্রামাঞ্চলের তথাপিও লাল কেরোসিনের অভাব। সাদা কেরোসিন পাওয়া গেলেও তা গরীব মধ্য ভিতরের ক্রয় ক্ষমতার বাহিরে। Supply বিভাগে আবেদন করা স্বত্বেও কোন সুব্যবস্থা হয় নাই। এই সমস্ত সমস্যার উপর সরকার আশা করি জোর দিবেন। পরিশেষে আমি আমার সমষ্টির উন্নতির আশা করে বিত্তমন্ত্রী মহোদয়ের বাজেট সমর্থন করে বক্তব্য শেষ করছি।

Shri A.N. Akram Hussain : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্রী ডাঙৰীয়াই যিখন বাজেট ইয়াত দাঙি ধৰিছে তাত অসমৰ দুখীয়া ৰাইজৰ নাইবা অসমত সমাজবাদী সমাজ গঠনৰ কোনো আভাষ নাই। সেইকাৰণে এই বাজেটখনে দুখীয়া ৰাইজৰ কাৰণে কোনো কৰ-কাটল লগোৰাটো আমি আশা নকৰো। যিবিলাক চাহ-বাগানৰ মালিক সেইসকলৰ ওপৰত কোনো কৰ-কাটলৰ ব্যৱস্থা এই বাজেটত দেখা পোৱা নাযায়। ই অসমৰ কাৰণে দুভাগ্যজনক কথা। দুখীয়া ৰাইজে এবছৰ খাজনা দিব নোৱাৰিলে মাটি খিনি চৰকাৰে লৈ যাব পাৰে কিন্তু ধনী চাহমালিক সকলৰ ক্ষেত্ৰত হলে কোনো ব্যৱস্থা নাই। এইবিলাক বৰ অসন্তোৰৰ কথা। এই বিলাক দূৰ কৰিবলৈ মই বিত্তমন্ত্ৰী মহোদয়ক দাবী জনাওঁ।

মন্ত্ৰীসকলৰ ভ্ৰমন বানচত বহুত টকা খৰচ হৈ যায়। তেখেতসকলে গুৱাহাটীৰ পৰা দিল্লীলৈ যাওঁতে peon চাপ্ৰাচীজন P.A. পৰ্য্যন্ত Air ত যায় আৰু বহুত টকা অযথা খৰচ হয়। এইটো বন্ধ কৰিব লাগে।

ৰাজহুৱা টকা বিলাক কেৱল দুখীয়া খেতিয়কৰ পৰা আদায় কৰিব বিচাৰি-

লেই নহব। দিল্লীলৈ যোৱাত আমাৰ আপত্তি নাই কিন্তু Minister Air ত গৈ বাকী P.A. আদি Staff Railway আদিত গলে যে খৰচ কম হয় সেইটো নজৰ কৰিব লাগে।

Shri Kamakhya Prasad Tripathi : Peon Airoplan ত যোৱা নাই।

Shri A.N. Akram Hussain : বহুত ক্ষেত্ৰতেই টকা অপচয় হোৱা দেখা যায়, কিন্তু কৰ লগোৱাৰ ক্ষেত্ৰত দেখা যায় যে কোনো চিন্তা কৰা নহয়। কি কৰিলে দুখীয়া খেতিয়কৰ ওপৰত কম হেচা পৰে সেইটোহেলক্ষ্য কৰিব লাগিব। আমাৰ ৰাজ্যত মটৰ spirit বিলাকৰ ওপৰত চৰকাৰে কৰ লগাইছে। আমাৰ যি খন মটৰ ভেহিকুল Act আছে তাতো নতুন কৰ লগাইছে। মটৰ spirit ৰ ওপৰত কৰ লগোৱা অৰ্থ হল যাত্ৰী আৰু মালবস্তুৰ ওপৰত কৰ লগাই দুখীয়া সাধাৰণ শ্ৰেণীৰ মানুহক পেপুৱা লগোৱা। তাৰোপৰি আদালতৰ মাচুলো বেচি কৰি দিছে। তাৰ ফলত দুখীয়া শ্ৰেণীটোৰে কেচ কৰিব নোৱাৰি বহি থাকিব লাগিব ফলত অৰাজকতাই দেখা দিব এইটো বৰ দুভাগ্যজনক কথা যে শিক্ষাৰ ক্ষেত্ৰত, ভূমি ৰাজহৰ ক্ষেত্ৰত কৰ বেচি ধাৰ্য্য কৰা হৈছে। মই দাবী কৰি কব খুজিছো যে আমাৰ বাজেটত কৰ বঢ়াই দিয়াৰ ফলত আমাৰ ক্ৰয় শক্তি কমি গৈছে। যি বিলাক ছাত্ৰই High School ত পঢ়ে তেখেতসকলৰ মাচুল মাফ দিয়াৰ ওপৰি পাঠ্য পুথিও বিনা পইচাতে চৰকাৰে যোগান ধৰিব লাগে। যাতে আমাৰ দুখীয়া ছাত্ৰবিলাকে পাঠ্যৰ অভাবত, মাচুলৰ অভাবত শিক্ষাৰ পৰা বঞ্চিত হব নালাগে। লগতে মই এটা কথাত বিত্তমন্ত্ৰী মহোদয়ক অভিনন্দন জনাইছো যে তেখেতে যিটো কৃষি কৰৰ প্ৰস্তাৱ কৰিছে সেইটো কম হৈছে—সেইটো বেচি হোৱাৰ দৰ্কাৰ।

Shri Kamakhya Prasad Tripathi : আমাৰ ইয়াত যিমান হৈছে ভাৰত বৰ্ষৰ আন কোনো ঠাইত সিমান নাই। আৰু যদি বঢ়াই দিয়া যায় তেনেহলে বিক্ৰী কমি যাব।

Shri A. N. Akram Hussain : দুখীয়া মানুহৰ ভূমিৰ ৰাজহ মাফ কৰি দিব লাগে। তাৰোপৰি আমাৰ ইয়াত যি বিলাক উদ্যোগ স্থাপিত হৈছে সেই বিলাকত শতকৰা নব্বই ভাগ আমাৰ থলুৱা নিবনুৱা ডেকাক চাকৰি দিব লাগে।

আমাৰ বিত্তমন্ত্রীয়ে নিবনুৱা সমস্যা সমাধান কৰাত আক্ষেপ প্ৰকাশ কৰিছে। হায়; হায়; তেখেতৰ অন্তৰ আমাৰ নিবনুৱা, থলুৱা শিক্ষিত ডেকা সকলৰ কাৰণে কন্দা নাই তেখেতৰ অন্তৰ কান্দি উঠিছে চাহ বাগানৰ মালিক আৰু মানুহ খিনিৰ কাৰণে। এইবিলাক কথা মই বেচিকৈ উল্লেখ নকৰো। এতিয়া আমাৰ "কোনে পালে কিমান পালে, কোনে খালে," এইবিলাক চাই থকাৰ আৰু সমীক্ষা কৰাৰ সময় আহিছে।

মই পুলিচৰ শিতানত কও যে আমাৰ পুলিচ বিভাগৰ কাৰণে যি খিনি ধন বাজেটত ধৰা হৈছে সেইটো অতি বেচি হৈছে। লগতে C.R.P. ৰ কাৰণে যিখিনি টকা ধৰিছে সেই খিনিও অত্যাধিক হৈছে। C.R.P. এ কি কৰি আছে সেই কথা সকলোৱেই কাগজত পঢ়িবলৈ পাইছে। আমাৰ ইয়ালৈ C.R.P. বিলাক কিয় ইমান কৈ আমদানি কৰিবলগীয়া হৈছে ? পাঞ্জাবো আমাৰ অসমৰ দৰেই এখন সীমান্ত বৰ্ত্তী প্ৰদেশ তাতো নক্সালিষ্ট নথকা নহয়। তেখেতসকলে এই নক্সালিষ্ট বিলাকক ধৰিবলৈ বা তেওঁলোকৰ কাৰ্য্য বন্ধ কৰিবলৈ নতুন state পুলিচ বেটেলিয়ণ সৃষ্টি কৰিছে। কিন্তু আমাৰ চৰকাৰে এই নক্সালিষ্ট ধৰিবলৈ বা তেওঁলোকৰ কাৰ্য্যকলাপ বন্ধ কৰিবলৈ C.R.P. ৰখাৰ প্ৰয়োজন কি ? তাৰ ঠাইত আমাৰ অসম দেশৰে শিক্ষিত যুবকলৈ নতুন বেটেলিয়ন গঠন কৰি C.R.P. বিলাকৰ দৰে প্ৰশিক্ষন দি এইবোৰ কামত নিযুক্ত কৰিব লাগে। তেতিয়া হলে আমাৰ নিবনুৱা সমস্যাও কিছু পৰিমাণে সমাধান হব আৰু তাৰ লগে লগে দেশৰো আইন-শৃঙ্খলা ব্যৱস্থা উন্নত হব। গতিকে অসম চৰকাৰে এই C.R.P. বিলাকক আমাৰ ৰাজ্যৰ পৰা অতি শীঘ্ৰে বিদায় দিয়ক আৰু তাৰ ঠাইত আমাৰ শিক্ষিত যুবক সকলকলৈ এটা তেনে ধৰণৰ বাহিনী গঠন কৰক। এইটো কথা মনত ৰাখিব যে আমাৰ এইখন "সমাজবাদী ৰাষ্ট্ৰ" "পুলিচ ৰাষ্ট্ৰ" নহয়।

উপাধ্যক্ষ মহোদয়, আমাৰ Forest বিলাকত যি সকল Plain Tribal মানুহ আহে সেইবিলাক মানুহে বছৰৰ পাচত বছৰ ধৰি সেই ফৰেষ্ট Reserve বিলাকত মাটিত চাহকৰি খাই আছে। কিন্তু তেখেতসকলক সেই বিলাক মাটিত পট্টন নিদি নানা ৰকমৰ অত্যাচাৰ কৰি তাৰ পৰা উৎচ্ছেদ কৰিছে। Generation after Generation তেওঁলোকে তাতে খেতি বাতি কৰি খাই আছিল। সেইকাৰণেই মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো যে এই মানুহ বিলাকক

তাৰ পৰা উৎচ্ছেদ নকৰি তেওঁলোকক সেই মাটিতেই পট্টন দিব লাগে। তাত এনে কিছুমান ৰিজাৰ্ভ আছে যত কোনো মূল্যবান গছ নাই আৰু আপোনালোকে Scientist আনি প্ৰমান কৰিলেও পাব যে তাত শাল গছ বা কোনো মূল্যবান গছ হোৱাৰ কোনো সম্ভাৱনা নাই। সেইবিলাক মাটিত ভূমিহীন মানুহক পট্টন দিব লাগে। ঘগ্ৰাপাৰাত যি সকলক নক্সাল পন্থী বুলি গেপ্তাৰ কৰা হৈছে—সেই সকল ক'ব নক্সাল পন্থী, সেইসকল আমাৰ দেশৰেই শিক্ষিত ডেকা যি সকলে ভাত, কাপোৰৰ আৰু কৰ্ম্মসংস্থানৰ অভাবত পুঞ্জিভুত হৈ থকা বেদনা কামেৰে প্ৰকাশ কৰিছে। আমাৰ দেশৰ নিৰাপট্টাৰ কাৰণে চৰকাৰে কি কৰিছে। আজি বাতৰি কাগজত ওলাইছে যে অসমত নক্সাল পন্থীয়ে গৰিলা যুদ্ধ আৰম্ভ কৰিব। এই বিলাক কথা কাগজত ওলাইছে। কলিকতাত print হোৱা হাজাৰ হাজাৰ নক্সালিষ্টৰ প্ৰচাৰৰ কাগজ কামৰূপ, গোৱালপাৰাত বিলি হৈ গল। আমাৰ চোৰাংচোৰা বিভাগে কি কৰিছে সেইদৰে শ্ৰীযুত ৰথীন সেন ডাঙৰীয়াই কোৱাৰ দৰে চীনত চাপা হোৱা হাজাৰ হাজাৰ ১০ টকীয়া নোট বিতৰণ হৈ গল আমাৰ চোৰাংচোৰা বিভাগে এইবিলাক কথাৰ খবৰ পায়নে? আমাৰ বিত্ত মন্ত্ৰীয়েও এই বিলাক কথাৰ গম নেপায়।

(Bell rang)

মই শিক্ষা বিভাগৰ শিতানত কওঁ যে আমাৰ যি বিলাক L P. School আছে সেই বিলাকৰ অৱস্থা একেবাৰেই কাহিল। তাৰ শিক্ষক বিলাকৰো অৱস্থা তেনেই তথৈবচ্। গতিকে মই কওঁ L.P. School ৰ শিক্ষকৰ দৰ্মহা ২৫০ টকা হোৱা উচিত।

Shri Kamakhya Prasad Tripathi : তেন্তে আকৌ tax লগাব লাগিব।

Shri A.N. Akram Hossain : L.P. School ৰ শিক্ষকৰ দৰ্মহা ২৫০ টকাৰ কম হব নোৱাৰে। তেওঁলোক আমাৰ গুৰু। এই গুৰুসকল লঘোনে থাকি কাকো ভাল শিক্ষা দিব নোৱাৰে। এই স্কুল ঘৰ বিলাকৰে চালেদি আকাশ দেখে বেৰ চাল জহি খহি গৈছে। মাত্ৰ বাহৰ ফ্ৰেম কিছুমান ওলমি আছে। এই কথাত মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো—কাৰণ কেতিয়াবা যদি আপোনাক তেনে স্কুললৈ লৈ যোৱা হয় তেন্তে আপুনি লাজ পাব।

আৰু এটা কথাত মই পৰিবহন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো। আমাৰ গুৱাহাটীৰ পৰা শিলিগুৰিলৈ এখন বাচ চলে। সিদিনা মই গুৱাহাটীৰ Transport অফিচত বহি থাকিলো তেতিয়া এজন conductor এ কলে.... ১০০ টকা খায়ো ৪০০ টকা জমা দিছে। আমাৰ ইয়াত হোৱা হলে ৪০/৫০ টকা মানহে দিলেহেতেন।

Mr. Deputy Speaker : মাননীয় সদস্যই নিজৰ আসন লওক।

* Dr. Bhumidhar Barman : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে সদনত যিখন বাজেট আলোচনা কৰিছে আৰু বাজেটত যি সুব্যৱস্থা কৰিছে তাৰ বাবে তেখেতক ধন্যবাদ দিছো। ধন্যবাদ দিয়াৰ লগতে এই সং-ক্ৰান্তত মই দুটা মান কথাৰ অনুৰোধ কৰিব খুজিছো যে চৰকাৰে আমাৰ বিভাগ-বিলাকত যি পৰিমান টকা দিয়ে সেই পৰিমানে তাৰ কিছু অংশ অপব্যৱহাৰ হোৱা দেখা যায় আৰু সেই টকা বিলাক যথা সময়ত অৰ্থাৎ উপযুক্ত সময়ত নিদিয়াৰ বাবে আচল কামত ব্যৱহাৰ নহৈ অদৰকাৰী আন কামত অপব্যৱহাৰ হয়। বহুক্ষেত্ৰত দেখিবলৈ পাও যে কেতিয়াবা financial convience নোহোৱাৰ বাবেই এনেবোৰ খেলি মেলিয়ে দেখা দিয়ে।

Shri Dulal Chandra Barua : Sir, may I suggest one thing. Of course, I do not know how far it will be pertinent for me. It is always found that the Ministers are busy in their chamber, even without any work. They go on simply gossiping. Therefore, just to honour the House if you are kind to ask the Ministers to be in the House. Sir you will find that from the beginning i,e, from 16th April last at least on 20 occasions there was no quorum.

Shri Kamakhay Prasad Tripathi, ( Minister finance ) : May I point out that when a Session sits for more then three moths if the Ministers are always busy in the House then the whole administration will come to a stand still. The-

*Speech not corrected

refore, we have to be reasonable in the matter. When the Ministers are needed in the House they will be here. But when they are not required they may be permitted to function in office. Because what is decided here will have to be worked out. But what about other members who are going to the ministers ?

Shri Dulal Chandra Barua : You are in the House because you are compelled.

Shri Kamakhay Prasad Tripathi (Minister) : We are sitting not under compulsion ......

Shri Dulal Chandra Barua : My whole submission is .......

Mr. Deputy Speaker : I think this matter should be discussed threadbare It is their duty as well to see that the Hon'ble Members are always present in the House.

Dr Bhumidhar Barman : মই এতিয়া গৰকাপ্তানী বিভাগৰ দুটা মান কথা কব খুজিছো যদিও উক্ত বিভাগৰ মন্ত্ৰী ইয়াত নাই মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিছো। আমাৰ এই বিভাগত architeture বিভাগ বুলি এটা Branch আছে এই শাখাটোৰ প্ৰধান কাম হল । বৰ ডাঙৰ ডাঙৰ ঘৰ দুৱাৰ Building দলং আদি নিৰ্ম্মান কৰিবলৈ Design বা Plane দিয়া কিন্তু এই বিভাগ থকা স্বত্তেও আমাৰ চৰকাৰে বাহিৰৰ পৰা Design আদি অনোৱাই লাখে লাখে টকা খৰচ কৰিছে, গতিকে ইয়াৰ পৰা প্ৰমান হয় আমাৰ এই P.W.D বিভাগটো বৰ দুৰ্ব্বল। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যেন এই বিভাগটো এতিয়াতকৈ বহুগুণে শক্তিশালী আৰু টনকীয়াল কৰে যাতে বাহিৰৰ পৰা কোনো Farm আহি আমাৰ Design Structure আদি দিব নালাগে, আমাৰ ইয়াতে উচ্চ শিক্ষা লাভ কৰা যুৱক সকলক এই দায়িত্ব দিব পাৰি ।

ইয়াৰ পিচত মই আৰু এটা দৰকাৰী কথা কব খুজিছো সেইটো হল আমাৰ P.W.D. বিভাগটোৱে সময় মতে তেওঁলোকৰ কাম আৰম্ভ নকৰে ফলত অযথা টকা পইচা খৰচ হয়। এতিয়া দেখা যায় আমাৰ মঠাউৰী বান্ধ আদিৰ কাম আৰম্ভ কৰে বহাগ মাহৰ পৰা ফলত সেই সময়ত বাৰিষা আহি পৰে আৰু বানপানীৰ প্ৰকোপত পৰি কোনোটো কাম হৈ নুঠে আৰু অযথা টকা পইচা বোৰ অপব্যৱহাৰ হয়। তাৰ পাচত দেখা যায় ৰাস্তাঘাট বোৰ খান্ধি মেলি একেবাৰে বোকা কৰি পেলায় ফলত ৰাস্তাৰ কামো হৈ নুঠে আৰু অহা যোৱাত বিষম বেমেজালিৰ সৃষ্টি হয়। গতিকে বাৰিষা নহাৰ আগতেই সেই কাম বোৰ আৰম্ভ কৰা হলে ইমান অসুবিধা ভোগ কৰিব লগা নহলহেঁতেন, তাকে নকৰাৰ কাৰণেই ৰাইজে বৰ জুলুম পাইছে। গতিকে সেই ৰাষ্টাঘাট বোৰেদি যাতে অহাযোৱা সুচল হয় তাৰ কাৰণে কমপইচা খৰচ কৰি বাহৰ দলং দিয়ে, কিন্তু বাৰিষাৰ আগতে আৰম্ভ কৰি শেষ কৰিব পাৰিলে বেচি ভাল হয় কাৰণ তেতিয়া বাহৰ দলংবৰো প্ৰয়োজন নহব।

এই বিভাগৰ আৰু এটা কামলৈ মনত পৰে তেওঁলোকে চহৰৰ ৰাস্তা-বোৰ নিৰ্ম্মান কৰিবৰ কাৰণে ৰাস্তাৰ দুয়োকাষত শিলৰ দম পেলাই থয় কিন্তু সেই শিলৰ দমবোৰ কামত ব্যৱহাৰ নহৈ মাহৰ পিছত মাহ ধৰি সেইদৰেই দুয়োকাষে পৰি থাকে, Distribute কৰা দেখা নাযায়। আকৌ শুনিবলৈ পোৱা যায় যে থিকাদাৰ সকলে একেখিনি শিলৰ দম কামত নলগোৱাকৈ ২ বাৰো দেখুৱাই, এইদৰেও টকা পইচা অপব্যৱহাৰ হয়। গতিকে মই এইখিনিতে চৰ-কাৰক অনুৰোধ কৰিছো যেন এই শিলৰ দমবোৰ মাহৰ পিছত মাহ ধৰি পেলাই নথয় আৰু ৰাস্তাৰ কামৰ কাৰণে সেইবোৰ Distribute কৰি দিয়ে।

এই বিভাগৰ মাৰ নাও বোৰ কামত ব্যৱহাৰ নহৈ বছৰৰ পিচত বছৰ ধৰি পৰি থাকে ফলত সেই মাৰ নাওবোৰ একেবাৰে নষ্ট হৈ যায় আৰু কামত নাহে অথচ যিবোৰ ঠাইত মাৰ নাওবোৰ দিলে ৰাইজৰো লাভ হব চৰকাৰৰো লাভ হব সেইবোৰ ঠাইত নিদিয়ে আনকি দৰ্খাস্ত দিলে সেইবোৰ ঠাইত প্ৰয়োজনবোধ কৰিলেও, সেই মাৰ নাওবোৰ নিদিয়ে চৰকাৰে দিয়ে কত? য'ত মাৰ নাও বিলাক দিয়াৰ কোনো প্ৰয়োজন নাই, সেই বিলাকতহে দিয়ে ফলত কেবা-খনো মাৰ নাও তনাহবতে নষ্ট হয় যায় আৰু সেইদৰেই ৰাজহুৱা ধনৰ অপচয় হয়।

এনেকুৱা বহুত পৰি থকা নাওঁ চিহ্ন চালিমা ৰাস্তাৰ কাষত দেখিবলৈ পোৱা যায়। এইবোৰত অনাহকতে বহুত টকা খৰচ হোৱা দেখা যায় আকৌ ৰাস্তাৰ কাৰণে ৩০/৩৫ টকা Rate ৰ কামৰ ঠাইত ৯০ টকা Rate পৰি যায়। অলপ দূৰৰ পৰা মাটি আনিব লগা হলেই ৫০/৬০ টকা Rate পৰি যায়। ইয়াৰ ফলত অনাহকতে টকা খৰচ হয় আৰু ৰাইজৰো কোনো কামত নাহে। আনকি বিভাগীয় গণ্ডগোল হোৱাও দেখিবলৈ পোৱা যায়। P.W.D. বিভাগে গ্ৰহন কৰিব নোৱাৰাৰ ফলতো Rate ৰ গোলমাল হয়।

আকৌ contract আদিৰ ক্ষেত্ৰত দেখা গৈছে যে Supervisor ৰ অভাৱ S.D.O. নাইবা Exccutive engineer এ Supervise কৰিবলৈ নাপায়। কিয়নো তেখেত সকলে T.A Bill ঠিকমতে নাপায়। ইমান টকা খৰচ কৰিও সামান্য T.A. ৰ কাৰণে Supervise ঠিকমতে নোহোৱাৰ বাবে কামত যাতে বাধা নপৰে তাৰ বাবে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। বহুত ক্ষেত্ৰত শিলঙৰ পৰা Approval যোৱাতো বহুত পলম হয়। ফলত অহা-যোৱা কৰোতেও বহুত টকা অযথা খৰচ হয়।

তাৰ পাচত Medical ৰ কথা আৰু Public Health ৰ কথা দুটামান কবলৈ ইচ্ছা কৰিছো। আমি বহুতে চিক্ৰৰী আছো যে ডাক্তৰখানা আদিত ঘৰ দুৱাৰ ভঙা ডাক্তৰ থাকিব নোৱাৰে। আমাৰ চৰকাৰে Fund নাই বুলি কয় সঁচা কিন্তু আমি শুনিব পাইছো যে Family Planing বিভাগত বহুত টকা আছিল Hospital বিলাকৰ সম্প্ৰসাৰণৰ বাবে কিন্তু তাতো বহুত টকা খৰচ কৰিব পৰা নাই। Surrender কৰিছে। মন্ত্ৰী মহোদয়ে কব যে faimly Planing ৰ টকা আমি খৰচ কৰিব নোৱাৰো, কিন্তু ভঙা ঘৰ-দুৱাৰ মেৰামতি নকৰি টকা Surrender কৰা কথা আমি বুজি নাপাওঁ। এই Dispensary সংক্ৰান্তত বহুত দূৰ্নীতি সোমাইছে তেনেকুৱা বহুত কেচ মই detect কৰি দিছিলো। কিন্তু তাতো ভাল ব্যৱস্থা লোৱা নাই।

(সময়ৰ সংকেট)

মই বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেট বক্তৃতা সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰনী মাৰিলো।

*Shri Abala Kanta Goswami : উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে সদনত যি বাজেট দাঙি ধৰিছে তাত প্ৰকৃতে আগৰ কথাকেই কৈছে। ইয়াত কোনো নতুন কথাৰ অৱতাৰনা কৰা নাই। এই বাজেট সম্পৰ্কে বিশেষ একো কবলৈ নাই। মই মাত্ৰ ইয়াকে কব খোজো যে আমাৰ ৰাজ্যৰ দুখীয়া ৰায়ত সকলৰ ওপৰত যি কৰ কাটল লগাইছে সেইটো সঁচাকৈয়ে বৰ অন্যায় হৈছে। যিমান কৰ কাটল লগাইছে তাৰ কিছু কমাব পাৰিলে ভাল। আৰু বহুত কৰ কাটল অনাদায়ী হৈ আছে। আমাৰ কৰকাটল যিখিনি অনাদায় হৈ আছে সেইবোৰ ক্ৰমে বাঢ়ি গৈ আছে সেইটো তেখেতে স্বীকাৰ কৰা নাই যদিও প্ৰকাৰান্তৰে সেইটো স্বীকৃত হৈছে। তাৰ কাৰণ কি আমি ভালদৰে বুজিব পৰা নাই। Tax Deppt ত কৰ্ম্মচাৰীৰ সংখ্যা বোধকৰো বাঢ়িছে জিলাৰ সদৰত আগতকৈ বোধকৰো অফিচ বেছিকৈ খোলা হৈছে তথাপি কি কাৰণত এই tax আদায়ৰ উন্নতি হোৱা নাই সেইটো ঠিক বুজিব পৰা নাই। আনহাতে Sale tax ৰ ক্ষেত্ৰত বহুতো টকা বাকী পৰি আছে আৰু একশ্ৰেণী ৰ ব্যৱসায়ীয়ে সুবিধা লৈছে। ফাচী বজাৰত কিবা এটা বস্তু কিনিবলৈ যাওঁতে দোকানীয়ে ৰচিদ নিদিলে ৰচিদৰ কথা সোধোতে কলে ৰচিদ দিব লগীয়া হলে সেই বস্তুটোত বেছি পইছা দিব লাগিব। গতিকে ৰছিদ নিলে তেওঁৰ পৰা tax assess কৰা হব আৰু সেই ভয়ত ৰচিদ নিদিয়ে। কিন্তু ৰচিদ নিদিয়াকৈ কোনো এটা বস্তু ১০ গুণ বেছি দামত বিক্ৰী কৰে। মই জনাত গুৱাহাটীৰ পঞ্জাৱ ফাৰ্ণিচাৰ হাউচত এটা agent ৯০০ টকাৰ order এটা দিলে আৰু বন্দোবস্তও সেই মতে কৰিলে যেতিয়া delivery লবৰ সময়ত গ'ল তেতিয়া delivery ললে ৯০০ টকা দি দিলে আৰু ৰছিদ খুজিলে। তেতিয়া মেনেজাৰে কলে যে যদি আপোনাক ৰছিদ দিব লাগে তেনেহলে আপুনি tax দিব লাগিব। ৯০০ টকাৰ ওপৰত tax দিলে ৰছিদ দিব নোৱাৰিম। ঠিক তেনেকৈ বহুত ব্যৱসায়ীয়ে tax evade কৰি আছে। এই tax evade কৰা আৰু বস্তুৰ দাম বঢ়োৱাত বহুতো কথা আছে। লগতে এই দুৰ্নীতিত আমাৰ কৰ্ম্মচাৰী সকলও লিপ্ত নথকা নহয়। কৰ্ম্মচাৰী সকলৰ হেমাহীৰ কাৰণে এওঁলোকে tax evade কৰিব পাৰিছে বুলি ভাবিবৰ থল আছে। তেনেকৈ আমাৰ চিনেমা হল বিলাকতো tax ফাকি দিয়া ষড়যন্ত্ৰ চলিছে।

*Speech not corrected

তাৰ পিচত চৰকাৰৰ পৰা যি সকলে ঋণ ললে সেই বোৰত অনাদায় হৈ পৰি আছে আৰু সেইবোৰ দিনক দিনে বাঢ়ি গৈছে। আমি জনাত যি সকল দুখীয়া লোকে গৰু সাৰ আদি কিনা কাৰণে চৰকাৰৰ পৰা ২০০/৩০০ টকা কৈ ঋণ লৈছিল তেওঁলোকৰ খেতিৰ উন্নতি নোহোৱা বা বছৰে গৰু মৰা ইত্যাদি কাৰণত ঋণ পৰিশোধ কৰিব পৰা নাই। কিন্তু এই ধাৰ আদি লোৱাৰ ক্ষেত্ৰত বহুতো ধনী মানুহো আছে যাৰ নেকি খেতিয়েই নাই। মোৰ এটা কথা মনত আছে আজিৰ পৰা ১০/১৫ বছৰ আগতে মোৰ সহকৰ্ম্মী শিক্ষক এজন তেওঁ-কলে গৰু কিনিবৰ কাৰণে খেতিয়ক সকলক ঋণ দিছে আমিও লওঁ দিয়ক তেতিয়া মই কলো আপুনিটো খেতি নকৰে তেখেতে কলে সকলোৱে যেতিয়া আনে আমাৰোটো মাটি আছে আমি অনাত কি লোকচান আছে। শিক্ষকজন বয়সস্থ মানুহ। মই কলো এইটো বেয়া কথা হব—এতিয়া ললেও অনাদায় কৰা সময়ত পিয়াদা যেতিয়া আপোনাৰ ঘৰলৈ আহিব তেতিয়া আপোনাৰ সন্মান ক'ত থাকিব ? তেখেতে কলে পইছাটোনো ক'ত ফিৰাই দিব লাগিব নিদিয়াকৈয়ে হয় দেখোন। গতিকে বিত্তমন্ত্ৰী মহোদয়ে কথা বিলাক বিবেচনা কৰি চাব। মই শুনিছো আমাৰ গুৱাহাটীতে Housing loan বহুতে ফিৰৎ দিয়া নাই। default হৈ আছে।

গতিকে এই অনাদায় কৰ আদায় কৰা বাবে বিশেষ ধৰণৰ ব্যৱস্থা আমাৰ চৰকাৰে গ্ৰহণ কৰা উচিত।

তাৰ পাছত বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৬৮-৬৯ চনৰ বাজেট বক্তৃতাত কৈছিল যে প্ৰত্যেক বিভাগতে একো একোজন অৰ্থ উপদেষ্টা ( Finance Advisor ) দিয়া হব। কাৰণ তেতিয়াহলে মজুৰীবিলাক উপদেষ্টা সকলে পলম নোহোৱাকৈ সময়মতে দিব পাৰিব। তেনেহলে নিশ্চয় এই উপদেষ্টা সকলক দিয়াৰপৰা আমাৰ চৰকাৰৰ খৰচ বাঢ়িছে আৰু প্ৰত্যেক বিভাগতে দিওতে আমোৰ চৰকাৰৰ খৰচ যথেষ্ট বৃদ্ধি হৈছে। কিন্তু তাৰ প্ৰতিদানত আমাৰ চৰকাৰৰ কিবা বাহিছেনে ? সেইটোহে আমি বিচাৰিছোঁ। তাৰ প্ৰতিদান স্বৰূপে আমি জানো যে বহুতো বিভাগতে সময়মতে মজুৰী পোৱা নাই। বিশেষকৈ শিক্ষা বিভাগত কোনো দিনেই সময়মতে নেপায় আৰু ৩১ মাৰ্চ্চৰ পাচত আকৌ কিয় টকাবোৰ বেঙ্কত ৰখাৰ ব্যৱস্থা কৰে। এই কথাটো মই বুজি নাপালোঁ।

Shri Kamakhya Prasad Tripathi : শিক্ষা বিভাগৰ এটা পৰম্পৰাগত নীতিৰ কাৰণে টকাবোৰ আকৌ বেঙ্কত ৰখা হয়। কাৰণ ১৫ February ৰ পৰা হিচাব কৰি তেওঁলোকে টকাবোৰ বিতৰণ কৰে। সেইকাৰণে হিচাপ পত্ৰ ঠিক নোহোৱালৈকে কেতিয়াবা টকাবোৰ সময়মতে দিবপৰা নহয়।

Shri Abala Kanta Goswami : বিশেষকৈ Schalarship বিলাক যেতিয়াই দিব লাগে তেতিয়াই দিব নোৱাৰাত সেই টকাবোৰ প্ৰয়োজনত পৰিণত নোহোৱা হয়। সেইকাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক বিশেষভাবে অনুৰোধ কৰিব খুজিছোঁ যে টকাবিলাক মঞ্জুৰী দিওঁতে নিশ্চয় কিবা গণ্ডগোল আছে। কিন্তু কি গণ্ডগোল আছে ? সেইটোহে আজি সকলোৱে বিচাৰ কৰা দৰ্কাৰ। আমি মঞ্জুৰীৰ কথা মন্ত্ৰী ডাঙৰীয়াক কলে আমাৰ আগত কয় আপোনালোকে কোৱামতেই টকা দিছোঁ আৰু বিষয়া সকলকো সোনকালে দিবলৈ কৈছোঁ। অথচ সময়মতে পোৱা নাযায় কিয় ? এয়ে হল আমাৰ প্ৰশ্ন। কিন্তু আমি চৰকাৰৰ খৰচৰ কথাটো জানিব খোজা নাই আৰু অফিচাৰ বিলাককো অকৰ্ত্তব্য পৰায়না কৰিব নোখোজো। কিন্তু আমি বিত্তমন্ত্ৰীক বিশেষকৈ কব খুজিছোঁ যে ক'ত গণ্ডগোলটো আছে সেইখিনি চাই ভুলবিলাক অলপ ভাল কৰিব লাগে। ভালখিনিৰ ভালমতে order দিয়ক যে চৰকাৰে যাতে ভবিষ্যতে আমি উপদেষ্টাৰ পৰা যিখিনি প্ৰতিদান পাব লাগে, সেইখিনি সময়মতে পায়।

তাৰপাছত স্কুল বিভাগৰ সম্পৰ্কে দুষাৰমান কওঁ, স্কুলৰ কথাত বহুতে কয় যে grant দিলে অপব্যয় হয় ; হব পাৰে ; কিন্তু এটা কথা যে যিখিনি টকা স্কুলৰ বাবে grant দিয়া হয়, সেইখিনি আনিবলৈ যাওঁতে এটা নিয়ম কৰি দিছে যে Head pondit হে আনিবগৈ লাগে। Secretary এ আনিলে টকাখিনি হেনো হেৰাইযোৱাৰ ভয়। সেইকাৰণে Head pondit জনৰ বাহিৰে কোনেও আনিবগৈ নোৱাঁৰে। এইটো ভাল কথা। কিন্তু এই grant হোৱা টকাখিনিকে কেইবাৰ আনিবলৈ অহাযোৱা কৰিব লাগে তাৰ কোনো হিচাব নাই। অন্ততঃ ১০।১২ বাৰ অহাযোৱা কৰাৰ পাছতহে grant হোৱা টকাখিনি পোৱাৰ সম্ভাৱনা থাকে। তাতে আকৌ School Inspector জনক টকা ২০ টামান খুৱালেহে টকাখিনি পোৱা যায়।

Shri Kamakhya Prasad Tripathi : তেন্তে Bank ৰ Chaque দি Paymant কৰাৰ ব্যৱস্থা যদি কৰো, তাত কেনে হয় ?

( Voices—ভাল হয় )

Shri Abala Kanta Goswami : তাৰ পাছত মই নিজে এখন স্কুলৰ President । মই নিজে জানো যে grant পোৱা টকাখিনি আনিবলৈ অহা-যোৱা কৰোতে এবাৰ মোৰ ৪৫,টকা ধাৰ লাগিছে ।

Mr. Deputy Speaker : No quorum.

( Voice—quorum নাই )

Shri Abala Kanta Goswami : quorum নাই ? quorum নহব পাৰে আৰু নহবও । কিন্তু মই কৈ যাম । কাৰণ ৪'৩০ পাছত কোনেও বহি থাকিবলৈ ভাল নেপায় । গতিকে আপোনালোকৰ যদি আপত্তি নাই তেন্তে Finance minister এ শুনি আছে আৰু মই কৈ যাওঁ । মই নকওঁ বুলি কোৱা নাই ।

( Voices—সইটো নিয়ম নহয় )

নিয়ম নহয় ? তেন্তে কি কৰিম ? বহিমনেকি ?

( Voices—হয় বহক )

এল্‌পি স্কুলবিলাকৰ টকা আনিবলৈ যাওঁতে বেছি টকা খৰচ হয় । কাৰণ স্কুল বৰ্ডৰ প্ৰত্যেক বিষয়াকে ২ টকাকৈ ঘোচ দিব লাগে । এই বিষয়ে মই আমাৰ শিক্ষামন্ত্ৰীক কৈছিলোঁ, কিন্তু তেখেতে কলে যে এইবিলাকৰ প্ৰমাণ নহলে কি action লম ? আমি action ও লবলৈ নিদিওঁ । কিন্তু এইখিনিৰ কিবা এটা ব্যৱস্থা লৈ বেকা-বেকী বিলাক চিধা কৰিবলৈ বিচাৰিলেহে প্ৰশাষণ ঠিক থাকিব আৰু দোষ ক্ৰুটি গুচিব ।

তাৰ পাছত স্কুলঘৰৰ অৱস্থাবিলাক বৰ বেয়া । কিছুমানে কয় পাঠশালাৰ স্কুলঘৰখনৰ অৱস্থা বৰ দুখজনক আৰু কিছুমানে কয় নগাৰৰ স্কুলঘৰটো ভাগি পৰিছে । এইদৰে বহুতে বহুতো ঠাইৰ স্কুলৰ নাম কৈ আপত্তি কৰিছে । কিন্তু মই কৈছোঁ যে গোটেই অসমৰ স্কুলঘৰ বিলাকৰ অৱস্থাই বেয়া । কোনো এখন

ভাল স্কুল আছে নগৰত বা টাউনত, সেইখনো Municipality য়ে নিজে টকা খৰচ কৰি ভাল কৰি লৈছে। আৰু এখন কোনোবা ঠাইত সুন্দৰ স্কুল আছে, সেইখনো সেই ঠাইৰ লোকে নিজেই সুন্দৰ কৰি লৈছে। সেইকাৰণে সেইবিলাকৰ অৱস্থা ভাল হৈ আছে। আকৌ কিছুমানে কয় যে চৰকাৰে টকা দিলেই স্কুল ঘৰৰ অৱস্থা ভাল হব। কিন্তু চৰকাৰে কৈছে যে এইবিলাকত এক ডেৰলাখ খৰচ কৰিলেহে স্কুল ঘৰখন ভাল ও সুন্দৰ কৰিব পৰা যাব ; কিন্তু ইমান টকা পাব ক'ৰপৰা ?

সধাৰণতে সকলো স্কুল ঘৰৰ অৱস্থাই একেবাৰে বেয়া আৰু বৰষুণ দিলে বহুতো স্কুলীয়া ল'ৰাছোৱালীয়েই পঢ়িব নোৱাৰে আৰু ঘৰলৈ উভতি যাব লগা হয়। কিন্তু এতিয়া তাৰ উপায় কি ? চৰকাৰে কয় টকা নাই, তেন্তে কি উপায় কৰা যায় ? মই কৈছোঁ চৰকাৰে স্কুল ঘৰবিলাক ভাল কৰি দিব লাগে আৰু চৰকাৰৰ যদি টকা নাই, তেন্তে Publicity ৰ দ্বাৰা কব লাগে আৰু প্ৰচাৰ কৰিব লাগে যে চৰকাৰে ঘৰ বান্ধিবৰ কাৰণে দায়িত্ব নলয়।

(Voices—Shame, Shame)

চৰকাৰে দায়িত্ব লব কেৱল শিক্ষা আৰু আহিলাপতিৰ বাবেহে। এইবুলি কাগজে পত্ৰেও ভালকৈ প্ৰচাৰ কৰি দিব লাগে।

কাৰণ কোনোবা এখন স্কুল ভাল হৈছে যদি মন্ত্ৰীডাঙৰীয়াৰ চেষ্টাত হৈছে আৰু কোনোবাখন M.L.A. বিলাকৰ খাতিৰত হৈছে। কিন্তু কিছুমানে ভাবিছে ৬০০/৭০০ টকা পালেই আমি স্কুল ঘৰখন ভাল কৰিম। এইদৰে অনেকজনে অনেক কথা কয় আৰু অনেক কথা ভাবে। কিন্তু সাধাৰণতে সকলো ৰাইজৰে মনত এনেকুৱা ভাব হৈ আছে যে চৰকাৰৰ পৰা পয়ছা পালেই আমি স্কুল ঘৰখন কৰিম এনেকুৱা ভাবহে আছে বুলি মোৰ বিশ্বাস হয়।

এইটো ভালৰ কাৰণে কওঁতে আপোনালোকে যদি বেয়া নেপায়, তেন্তে মই কৈছোঁ যে এই ক্ষেত্ৰত শাসক দলৰ ওপৰতহে সম্পূৰ্ণ নিৰ্ভৰ কৰে। আমি এনেকুৱা কথাও শুনিবলৈ পাইছোঁ যে স্কুলখন grant নেপালে আমি অহা election ত ভোট নিদিওঁ। কংগ্ৰেছ দ'লে সাধাৰণতে ৰাজনীতিৰ ক্ষেত্ৰত এইদৰে উঠিপৰি লাগিছেনেকি বুজি নেপাওঁ যে স্কুল পালেহে ৰাইজে ভোট দিয়ে আৰু স্কুল নেপালে নিদিয়ে। আচৰিত যে এইবিলাক কথা তেওঁলোকেও বুজি পায়।

অথচ শিক্ষা আজি তেওঁলোকৰ স্বিত্ব, চৰকাৰৰ দান নহয়।
অথচ চৰকাৰে মানুহক বুজাব পৰা নাই যে স্কুল পালেহে ভোট দিয়া উচিত। এইটো কথা এতিয়াও তেওঁলোকে বুজি আছে, অথচ স্কুলটো তেওঁলোকৰ এটা স্বত্ব Term নহয়। সকলোকে শিক্ষাৰ সুবিধা দিয়াটো প্ৰত্যেকৰে নাগৰিক স্বত্ব, এই স্বত্বটো চৰকাৰে পূৰণ কৰিব লাগিব। তাৰবাবে ভোটৰ লগত কোনো সম্পৰ্ক নাই। এই কথাটো আমাৰ অজ্ঞান ৰাইজক এতিয়াও শাসক শ্ৰেনীয়ে বুজাব পৰা নাই আৰু এইটো চৰকাৰৰ ডাঙৰ ব্যৰ্থতা বুলি কব খোজো। সেইবাবে মই কৈছো যে চৰকাৰে প্ৰচাৰ কৰক যে স্কুলৰ ঘৰ আদি বন্ধা দায়িত্ব ৰাইজৰ, চৰকাৰে তাৰ বাবে কোনো পইচা নিদিয়ে। কিন্তু শিক্ষক আৰু শিক্ষাৰ আহিলা যিখিনি লাগিব সেইখিনি চৰকাৰে খৰছ কৰিব। যদি চৰকাৰে এইটো কথা সমৰ্থন কৰে যে টকাৰ অভাৱ বা টকা বেছিকৈ খৰচ নকৰো, এই ভাৱে কৰিলে নহব। ৰাইজক শিকাবৰ কাৰণে যদি খৰচ কৰে তেনেহলে মই ভাৱো ইয়াৰপৰা ভৱিষ্যতে আমি কিবা এটা ফল পাব পাৰো। তাৰপিচত মই Adhoc High School ৰ কথা কওঁ। ১৯৬৮ আৰু ১৯৬৯ চনত Hills বিলাকত হাইস্কুলৰ ক্ষেত্ৰত ৭৫০ টকাৰ পৰা বৃদ্ধি কৰা হওক আৰু M.E. School ত ২৫০ টকাৰ পৰা ৭৫০ টকালৈ বৃদ্ধি কৰা হওক, কিন্তু ভৈয়ামত কৰা নাই। একোখন স্কুল ৮ ম মান বা দশম মানলৈ স্বীকৃতি দিয়াৰ অৰ্থ এই যে চৰকাৰে indirectly স্বীকাৰ কৰে যে সেই ঠাইত স্কুল লাগে আৰু তাৰ কাৰণে চৰকাৰে এখন স্কুলৰ আৱশ্যককতা বোধ কৰিব। যদি সেই ঠাইত এখন স্কুলৰ আৱশ্যক বুলি চৰকাৰে স্বীকাৰ কৰে তেন্তে পৰোক্ষভাৱে তাত লৰাছোৱালীক ভালকৈ শিক্ষা দিয়াৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। চৰকাৰৰ উদ্দেশ্য নহয় যে একশ্ৰেণীৰ লৰাই কম শিক্ষা লাভ কৰক আৰু কম বুদ্ধি-বৃত্তি থকা সকল স্কুল খনত শিক্ষা লাভ কৰি বেয়াৰ ফালে যাওক পৰীক্ষাত পাচ নহওক, এইটো যেন চৰকাৰৰ ইচ্ছা নহয়। সেই-বিলাক স্কুলক যিহেতুকে স্বীকৃতি দিছে, সেইবিলাক স্কুলত উপযুক্ত শিক্ষক দিব লাগে যাতে ছাত্ৰ-ছাত্ৰী সকলে ভালকৈ শিক্ষা লাভ কৰিব পাৰে তালৈ লক্ষ্য ৰখা উচিত। সেইবাবে Deficit grant দিব লাগে যিহেতুকে আগেয়ে দিছে। আগেয়ে Deficit grant চৰকাৰে যদি নিদিলেহেতেন তেন্তে আমাৰ কবলগা নাছিল। আধাৰো বেছি স্কুলক Deficit grant দিছে আৰু বাকীখিনিকো দি স্কুলবোৰ সমপৰ্য্যায়লৈ আনিলে ৰাজ্যৰ অলপ উন্নতি হব বুলি মই ভাৱো।

আৰু এটা কথা কব খুজিছো ১৯৬৯ চনৰ জুলাই মাহত যি বানপানী হৈছিল সেই বানপানীত পলাশবাৰী আৰু ছয়গাও সমষ্টিত মঠাউৰি ভাঙি বহুত উপদ্ৰৱ হৈছিল। সৌভাগ্যক্ৰমে যদিও মানুহৰ প্ৰাণ হানি হোৱা নাই তথাপিতো মানুহৰ ঘৰ-বাৰী উতুৱাই নিছিল আৰু গৰুমহ উতুৱাই নিছিল আৰু মাৰিছিল, বহুত ঠাই বালিয়ে পুতি পেলাইছে। তাৰপিচত মঠাউৰীটো যিহেতুকে ডাঙৰকৈ ভাঙিছিল তাক বহুদিনলৈ মেৰামতি কৰিব নোৱাৰিলে। বহু ঠাইত আজি কেইবা বছৰো খেতি কৰিব পৰা নাই আৰু এই বছৰো খেতি কৰিব পৰা নাই যিহেতুকে মাটিবিলাক বালিয়ে আগুৰিছে আৰু পানীৰ নলা বন্ধ হৈ গৈছে। সেইখিনি কথা এই report ত উল্লেখ কৰা নাই। উল্লেখ নকৰাৰ বাবে আমাৰ লোকচান নাই ; কিন্তু ৰাইজে ভাৱিব যে, বিত্তমন্ত্ৰী নাইবা চৰকাৰৰ আমাৰ এই অঞ্চলটোৰ প্ৰতি অলপ সহানুভূতিকম বুলি ভাবিব। সেইকাৰণে এইবিলাক কথাৰ প্ৰতি অনেক সময়ত মানুহবিলাক অসন্তোষ্ট হয় Regional Imbalance হয়। বিত্তমন্ত্ৰীয়ে এইখিনি কথা উল্লেখ নকৰাৰ বাবে শলাগ লব নোৱাৰিলো। এইখিনিকে কৈ সামৰণি মাৰিলো।

Shri Rathindra Nath Sen : Before the hon. Member starts his speech ( Shri U.N. Sanatan was asked to speak ) may I make a report through you, Sir, to the House that just now I have been informed that one Major has killed two Hindi School students a few minutes back just before the school. The govt is requested to ascertain an authencity of this news.

Shri Upendra Nath Sanatan : উপাধ্যক্ষ মহোদয়, মই বহুত কথাই কম বুলি ভাবিছিলো; কিন্তু এতিয়া কবলৈ interest নোহোৱাৰ নিচিনা হৈছে। আমাৰ নাম বিলাক যদিও ওপৰত থাকে কিন্তু শেষতহে কবলৈ পাও। সেই কাৰণে মন বেজাৰ লাগি গ'ল। গতিকে এতিয়া এইটোকে কব খোজো যে বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট আনিছে তাত সচাকৈয়ে আজি ধন্যবাদ দিব লগা কথা হৈছে। এই বাজেটখন যিখিনি দেশ গঢ়াৰ কথা কৈছে তাত বিৰোধী ফালৰ পৰা সন্তোষ জনক বাজেট বুলি কব পৰা নাই। মই এইটোও আনন্দ কৰি কব খোজো যে বিত্তমন্ত্ৰী ডাঙৰীয়াই বহুত কাৰণত টকা ভৰিছে, তাত প্ৰত্যেক Department

ৰ কথা আছে। আন বছৰৰ তুলনাত এই বছৰো যদি বেছি কাম হয় তেন্তে দেশ উন্নতিৰ পথত আগবাঢ়ি যাব। আজি ২০।২২ বছৰৰ ভিতৰত দেশখন চাৰিওপিনৰ পৰা যেনেকৈ উন্নতি হৈ আহিছে এই বছৰো আৰু বেছি উন্নতি হব বুলি আশা কৰা যায়। এতিয়া এটা কথা হ'ল এই বাজেটত যিখিনি টকা খৰছ হয় সেইখিনি খৰছ কোনে কৰিব ? আৰু এটা কথা আমাৰ বাজেট খন আমি আমাৰ বিধান সভাত পাচ কৰি দিম কেন্দ্ৰীয় চৰকাৰে পাচ কৰি দিব কিন্তু কাম কৰিব Department ৰ Head বিলাকে। যেনেকৈ ডাক্তৰে বেমাৰী চাইহে ঔষধ দিব লাগে। ধৰক এজন মানুহৰ বেমাৰ হল তেতিয়া যদি তেখেতে ডাক্তৰলৈ এখন চিঠি লিখি দিয়ে আৰু সেই মতে ডাক্তৰেও যদি ঔষধ পঠাই দিয়ে তেতিয়া সেই ঔষধে বেমাৰ ভাল কৰক চাৰি বেটিহে কৰিব পাৰে। কাৰণ কি বেমাৰৰ কাৰণে কি ঔষধ দিব লাগে ডাক্তৰে জানিলেও বেমাৰেই নাজানে। ডাক্তৰ নিজে গৈ বেমাৰীক সুধিব লাগে যে আপোনাৰ খাবৰ মন যায়নে নাযায় টোপনী আহেনে নাহে আদি কথা তাৰ পাচত ঔষধ দিলেহে ফল ধৰিব সেই দৰে আমাৰ Depertment ত যি বিলাক অফিচাৰ আছে সেই সকলৰ ওপৰলৈ নিজে গৈ সেই সকলক কব লাগে যে অমুকটো ৰাষ্টা বেয়া হৈছে বানপানীয়ে ভাঙিছে অমুক খন দলং বানপানীয়ে উটাই নিলে অমুক স্কুল বতাহত ভাঙিল আদি কথা অফিচাৰ সকলক কব লাগে, মন্ত্ৰী সকলক কব লাগে তেতিয়াহে তেখেত সকলে কাম কৰি দিব পাৰে। তাকে নকৰি যদি আমি কৈ থাকো যে আমাৰ অফিচাৰ সকলে কাম নকৰে তেন্তে সেইটো উচিত নহব। সেই দৰে আমাৰ অফিচাৰ সকলেও Interest দি কাম কৰিব লাগে।

আমাৰ P.W.D. বিভাগৰ কিছুমান সৰু সৰু দললঙৰ ঠাইত ডাঙৰ ডাঙৰ দলং কৰিছে। এই দৰে যত সৰু সৰু দলঙেও চলে তাত ডাঙৰ ডাঙৰ দলং দি অযথা পইচা খৰচ কৰাৰ কোনো অৰ্থ নাই। এই দৰে পইচা খৰচ কৰাটো বন্ধ কৰিব লাগে। আৰু এটা কথা আমাৰ আগৰ দলং বিলাকত কৈ এতিয়া যি বিলাক দলং কৰিছে সেই বিলাক বৰ ধুনীয়া আৰু ওখ ওখ। সিদিনা গুৱাহাটীলৈ আহোতে সোনাপুৰৰ ওখ দলং খন দেখি সেই খননো ইমান ওখ কিয় কৰা হল সেই কথা এজন ইঞ্জিনিয়াৰক শুধিলো। তেতিয়া তেখেতে কলে যে সোনাপুৰৰ কেওফালে পাহাৰ। গতিকে বৰষুনত পাহাৰৰ মাটি খহি আহি আহি হয়টো

১০০ বছৰৰ পাচত দলংখন পুতি পেলাব পাৰে। বা ভুমিকম্পত নদী নলা বিলাক বন্ধ হৈ থাকি পিচত হঠাতে ববলৈ ললে দলংখন ভাঙি পেলাব পাৰে গতিকেই ওখ কৰা হৈছে। এই ইঞ্জিনিয়াৰ জনে অপমান কৰিব কাৰণেই এই কথা কলে।

বৃটিছ চৰকাৰৰ দিনত ভাল কাম হৈছিল আমাৰ আজি স্বাধীতাৰ ২২ বছৰৰ পাচতো কোনো ভাল কাম হোৱা নাই। এইবিলাক কথা। সদস্য সকলে কয় যে আমাৰ আজিলৈকে কোনো সমস্যাৰ সমাধান হোৱা নাই। কিন্তু মই কও যে আমাৰ সদস্য সকলে যি বিলাক কথা কয় সেই বিলাক যুক্তি সংগত হব লাগে। এটা কথা আমাৰ ৰাজ্য পালৰ ভাষনতো প্ৰকাশ পাইছে সেইটো হৈছে ধনশিৰি চাহ বাগানৰ বনুৱাৰ ওপৰত পুলিচে গুলি চলালে। তাৰ ফলত দুজন বনুৱাৰ মৃত্যু হল। এই কথাত মই চৰকাৰক অনুৰোধ কৰিছো। চৰকাৰে যেন অতি সোনকালে এই কথা তদন্ত কৰে।

দ্বিতীয়তে মই কব খুজিছো যে আমাৰ বিত্তমন্ত্ৰীয়ে আমাৰ যি বিলাক গৰীব কৃষক বাগানত আছে সেই সকলৰ ফালে চাব লাগে। তাত কাবুলি বিলাকে দুখীয়া খেতিয়ক সকলক ধন ধাৰে দি তেখেত সকলৰ ওপৰত অত্যাচাৰ কৰি আহিছে।

মই Tax সম্পৰ্কে কবলৈ নাযাও, এই বিষয়ে কবলৈ গলে দিগদাৰেই আছে; কিন্তু আমাৰ এই যে দুখীয়া মানুবিলাকক কাবুলী আৰু আন আন কিছুমান ধনী মানুহে টকা ধাৰে দি বেচিকৈ সুতৰ সৈতে টকা লোৱাৰ কাৰবাৰ চলাইছে ফলত গাৱে গাৱে আমাৰ ৰাজ্যত নানা ধৰনৰ হুলস্থুল প্ৰায়েই চলি আছে, গতিকে অতি সোনকালে এইবিলাকৰ তদন্ত হব লাগে। আকৌ দোকানী বিলাকেও ১ কিলো চাউল দি তাৰ কেবাগুনো সুদ হিচাবে আদায় কৰে। এই-বিলাক আতৰ কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো।

২য় কথা হৈছে, মাটিৰ সম্পৰ্কে বহু মানুহ আজি মাটিহীন হৈ আছে বুলি কৈছে। আমাব ডুমডুমাৰ ওচৰত তৰাজানত বহুতো ঠাই আছে তাত ৰাষ্টা বহাইছে ফলত সেই ঠাইৰ মানুহবোৰে উঠি আহি যতে ততে ঘুৰি ফুৰিছে। সেই কাৰণে যেতিয়া মাটিহীন মানুহক মাটি দিয়া কথা আহে তেতিয়া যাতে তৰা-জানত যিবিলাক মানুহৰ মাটি নাই সেইবিলাক ভালদৰে তদন্ত কৰিহে দিব লাগে।

আমাৰ চাহ বাগানত, ১৯৬০ চনৰ পীয়ল মতে জনসংখ্যা আছিল প্ৰায় ২০ লাখ এতিয়া মানে কিমান বাঢ়িল সেই বিষয়ে অৱশ্যে মই কব নোৱাৰো। আমাৰ চৰকাৰে চাহ বাগানৰ মাটিবিলাক লব খুজিছে আৰু মজদুৰ বিলাকক দিবলৈ বিচাৰিছে তাৰ ভিতৰত বহুতে কৈছে যে worker য়ে পাব, নোৱাৰে আৰু non-worker এ পাব। মই চৰকাৰক অনুৰোধ কৰিছো যে আমাৰ মজদুৰ বিলাক নিবনুৱা হৈ গৈছে। গতিকেই তেওঁলোকক মাটি দিব লাগে আৰু সকলো ধৰনৰ সুবিধা দিব লাগে। যি বিলাকে বনুৱা মানুহে মাটি দখল কৰি থাই আছে তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা নকৰি তাত ধুম ধাম Tractor চলাই দিছে আৰু আহু ধান পেলাই দিছে আৰু চৰকাৰক দেখুৱাই খেতি কৰিছে। তাৰ পাচত বহু দিনৰ মূৰত দেখুৱাব চাহ বাগান বিলাকত বহুতো মাটি আছে। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যেন চাহবাগান বিলাকত যি বিলাক মাটি মজদুৰে দখল কৰি আছে তেওঁলোকক দখল স্বত্ব দিব লাগে, অৱশ্যে Hospital, Factory স্কুল আদিৰ কাৰণে মাটি সুকিয়াকৈ ৰাখিব লাগে যাতে দুখীয়া বনুৱা বিলাকেও যতে নিৰনুৱা হৈ থাকিব নালাগে আৰু চিকিৎসাৰ সা-সুবিধা পাই আৰু স্কুলবোৰৰ জৰীয়তে শিক্ষা লাভ কৰিব পাৰে।

মই চৰকাৰক আকৌ অনুৰোধ কৰিছো এই মাটি বিলাক দিয়াৰ ব্যৱস্থা যদি সোনকালে নকৰে তেতিয়া হলে আৰু ১ মাহ মান পাছতে গোটেই মাটিবিলক দখল কৰি পেলাব।

Mr. Chairman : আপোনাক কিমান সময় লাগিব ? You will finish within five p.m.

Shri Dulal Chandra Barua : Sir, you asked me to furnish information regarding the incident. Sir, some boys belonging to the Hindi High School went to pluck flowers in the garden of an Army officer. The Army Officer's wife fired at the boys and two boys received gunshot injuries. A case has been registered at the Police Station.

Shri Upendra Nath Sanatan : আকৌ তেওঁলোকে উকীল বিলাকে

কৈছে বুলি advise দিছে বুলিয়েই ৫ ভাগ চাহ গছ লগাই দিব আৰু কয় যে ৫০০ টকা এনেকৈয়ে পাম, এইদৰে বুদ্ধি কৌশল কৰি তেওঁলোকে মাটি দখল কৰি লয়। এই বিলাক বিষয়ে উকীলে কেনেকৈ advise দিয়ে কাৰণ এই বিলাক হ'ল Govt Procedure ৰ কথা।

আজি গাৱঁৰ স্কুল বিলাকৰ লগত নগৰৰ স্কুলৰ তুলনা কৰিব নোৱাৰি। আজি কোনেও এই স্কুল বিলাকৰ কথা কব নোৱাৰে বা খবৰ নাৰাখেও। আজি University বা College ত পৰীক্ষা কৰে। আচলতে আমাৰ গৰীব শ্ৰেণীৰ মানুহ আজিও তলত পৰি আছে। আজি উচ্চ শ্ৰেণীৰ মানুহ আগবাঢ়ি গৈ আছে আনহাতে কিছুমান মানুহে স্কুলত পঢ়িবলৈ পোৱাই নাই। ইয়াৰ কাৰণে মই চৰকাৰক দোষাৰোপ কৰা নাই কিন্তু চৰকাৰী কৰ্ম্মচাৰী সকলে কেনে ধৰণে কাম কাজ কৰিছে তাকহে দেখুৱাইছো। চৰকাৰে এইটো ভাল কৰিবলৈ যত্ন কৰিব লাগে। ইয়াৰো আমাৰ যিবিলাক Grant স্কুলবিলাকে পায় সেই-বিলাক সময় মতে পায় নে নাপায় তাকো চাব লাগে।

আমাৰ চৰকাৰ গড়কাপ্তানি বিভাগটোৰেই আটাইতকৈ খৰচি বিভাগ। আমাৰ ইয়াত যি P.W.D. ৰাস্তা আদি গাৱত কৰা হয় তাত আমাৰ শ্ৰমিক বাহিনীয়ে সুবিধা নাপায়। আজি P.W.D. ৰ অবিবেচক কামৰ কাৰণেই এই P.W.D. বিভাগটো সমালোচনাৰ সন্মুখীন হৈছে।

চেয়াৰমেন মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত যি Plan Programme ৰ কথা কৈছে তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। কিন্তু আজি যত প্ৰকৃত কাম হব লাগে তাত কাম নোহোৱাতহে দুখ পাইছো। আজি Deep Tubewell ৰ কথা কৈছে। এঠাইত ৪৫ হাজাৰ টকা খৰচ কৰিলে কিন্তু পাচত গৈ পানী নোলাল আজি এনেধৰণেই চৰকাৰৰ টকা অপচয় হৈছে। আজি চাবুৱা Health centre এ ২৫ হাজাৰ টকাৰে এটা Generator কিনি আনিছে। কাৰণ তাত Electricity ৰ কাৰণে wiring কৰিলে কিন্তু কাম একোৰেই নহল। আজি P.W.D. এ এনেকৈ কাম কৰিছে। আজি এই Deptt বিলাকক ভালকৈ চাব লাগিব।

Mr. Chairman : আপোনাৰ ২৫ মিনিট হৈ গল।

**Shri Upendra Nath Sanatan :** মই ১৬ টা Point ৰ ভিতৰত তিনিটা Point হে কৈছো ।

**Mr. Chairman :** আৰু চাৰি মিনিট কওক ।

**Shri Upendra Nath Sanatan :** মই Electricity বিভাগৰ মন্ত্ৰীডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো - যে, কিছুমান অফিচাৰৰ কামৰ কোনো Procedure নাই এইবিলাকলৈ চকু দিব বুলি মই আশা ৰাখিলো ।

ইয়াৰ পাচত মই আমাৰ Revenue Minister ক অনুৰোধ কৰিব খোজো যে, আমাৰ forest Area বিলাকত আজি ২০/৪০ বছৰ ধৰি কিছুমান মানুহ বহি আছে। কিন্তু তেওঁলোকৰ তাত সংস্থাপন দিয়া হোৱা নাই। আজি তেনেকৈয়ে দিধিয়া, লাইবা বিবিমিকা, পাচিলিকা আদি ঠাইত বহুত মানুহ বহি আছে য'ত ৰাস্তাঘাট Hospital আদিৰ কোনো সুবিধা নাই। এই বিলাক ব্যৱস্থা চৰকাৰে কৰিব লাগিব। যুৰিদান, লাইকা, জোনাই, আদিত যাতে চৰকাৰে ভাল সুবিধা দি সেই মানুহ বিলাকক সহায় কৰি তেওঁলোকক আগবাঢ়ি যোৱাত সহায় কৰে আৰু যাতে ৰাষ্ট্ৰৰ উন্নতি কৰে।

**Mr. Chairman :** আপুনি ৰাষ্টৰ উন্নতি কৰিব বাৰো ।

## ADJOURNMENT

The Assembly then adjourned till 9 A. M. on Friday the 1st May 1970.

U. Tahbildar
Secretary,
Legislative Assembly, Assam.

Shillong
The 30th April. 1970